সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ১৫ সংখ্যা, ১ বহাগ, ৰবিবাৰ, ১৪৩০ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 15 Date Of Publication - 14 April 2024 Rs.10.00/-

## বিশাল জনসমুদ্ৰত পৰিণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ যোৰহাটৰ ৰোডশ্ব'



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ অভিযানে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া ৫ সমষ্টি ক্ৰমে কাজিৰঙা, শোণিতপুৰ, ডিব্ৰুগড়, যোৰহাট আৰু লখিমপুৰত খলকনি তুলিছে। বিশাল জনসমুদ্ৰত পৰিণত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাটত কৰা ৰোডশ্ব'। গুণমুগ্ধ-অনুৰাগীয়ে উষ্ম আদৰণি জনাই মুখ্যমন্ত্ৰীগৰাকীক। যোৰহাটৰ নেহৰু পাৰ্কৰ পৰা আৰম্ভ হোৱা ৰোডশ্ব'ত পথৰ কাষত দেখা গ'ল হাজাৰ হাজাৰ মানুহ। বিজেপিৰ কৰ্মকৰ্তা, সমৰ্থক, শুভাকাংক্ষীয়ে মুখ্যমন্ত্ৰীগৰাকীক ওচৰৰ পৰা চুই চাবলৈ হিলদল ভাঙি ওলাই অহা দেখা গ'ল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, বিজেপি জিন্দাবাদ, আকৌ এবাৰ মোদী চৰকাৰ আদি-বিভিন্ন শ্লোগানেৰে মুখৰ কৰি তোলে যোৰহাট চহৰ। পথৰ কাষত দীৰ্ঘসময় অপেক্ষা কৰি থকা দলীয় সমৰ্থক আৰু সাধাৰণ ৰাইজে মুখ্যমন্ত্ৰীগৰাকীক ওচৰতে পাই পুষ্পবৃষ্টি কৰাৰ লগতে গামোচাৰে আদৰণি জনায়। এখন পুষ্পসজ্জিত বাহনত উঠি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলোৰে অভিবাদন গ্ৰহণ কৰে। এই সময়ছোৱাত তেওঁক সংগ দিয়ে মন্ত্ৰী পীযূষ হাজৰিকা, অজন্তা নেওগ, যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীকে ধৰি ভালেসংখ্যক নেতাই। মুখ্যমন্ত্ৰীগৰাকীৰ এই ৰোডশ্ব' যোৰহাট চহৰৰ নেহৰু পাৰ্কৰ পৰা ওলাই বৰুৱা চাৰিআলিৰে এ টি ৰোডত প্ৰৱেশ কৰে আৰু এ টি ৰোডেৰে গড় আলি হৈ কে বি ৰোডেৰে আহি মহাত্মা গান্ধী পথত স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সন্মুখত সামৰণি পৰে। এই পদযাত্ৰাত বিজেপিৰ সমৰ্থকসকলে দলটোৰ সমৰ্থনত বিহু, ঝুমুৰ আৰু বিভিন্ন গান গাই ৰঙালী বিহুৰ উৎসাহ দুগুণ বঢ়াই তোলে। বিহুৰ এই সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই ৰোডশ্ব'ৰে কিছু সময়ৰ বাবে স্তব্ধ কৰি তোলে যোৰহাট চহৰ। জনতাৰ আকুল মৰম গ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাৰে তিনি কিলোমিটাৰ মোৰ সৈতে খোজকাঢ়ি অহা জনতাক লৈ নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী কৰাৰ সংকল্প ল'লোঁ, হাজাৰ হাজাৰ লোকৰ উপস্থিতি আৰু আশীৰ্বাদে প্ৰমাণ কৰিলে যে যোৰহাটত তপন কুমাৰ গগৈৰ বিজয় নিশ্চিত। এই ৰোডশ্ব'ৰ পাছতে দলীয় কাৰ্যকৰ্তা আৰু উপস্থিত ৰাইজক উদ্দেশ্যি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য- যোৰহাটত এনে সাংসদৰ প্ৰয়োজন যিজনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হাত শক্তিশালী কৰিব আৰু প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰি যোৰহাট সমষ্টিৰ বিকাশ সাধন কৰিব। কিন্তু আমাক এনে সাংসদ নালাগে যিজনে অসমৰ কথা সংসদৰ মজিয়াত নকৈ কেৱল মণিপুৰ মণিপুৰ কৰি থাকে।

সমূহ অসম বাসী ৰাইজক ৰঙিলী বাৰ্ত্তাৰ পৰিয়াল বৰ্গৰ ফালৰ পৰা ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো...

সম্পাদকীয় শিতান...

## ৰঙালীৰ শুভেচ্ছা

৩১ চ'ত -গৰু বিহু, ১ বহাগ-মানুহ বিহু, ২ বহাগ-গোসাঁই বিহু, ৩ বহাগ- তাঁতৰ বিহু, ৪ বহাগ- নাঙলৰ বিহু, ৫ বহাগ-জীয়ৰী বা চেনেহী বিহু, ৬ বহাগ-চেৰা বিহু, উপৰোক্ত এই সাত বিহুৰে গঠিত আমাৰ বুকুৰ আপোন, অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু। সকলোৰে মন-প্ৰাণ উতলা কৰা বহাগৰ বতৰত যিদৰে প্ৰকৃতিয়ে নিজকে ন ৰূপত সজাই তোলে, আমিবোৰেও যেন নিজকে ন-ৰূপত সজাই তুলিব পাৰো। বিগত বৰ্ষৰ তিক্ত অভিজ্ঞতাবোৰ পাহৰি সকলোৰে জীৱন কেৱল মাত্ৰ মিঠাৰে পৰিপূৰ্ণ হৈ পৰক। জীপাল হৈ পৰক মানৱতা, জীপাল হৈ পৰক আস্থা, জীপাল হৈ পৰক সততা। হিংসা, অপ্ৰীতি, অসূয়াৰ নাশ হৈ বহাগৰ প্ৰথম সূৰ্যোদয়ে কঢ়িয়াই আনক এক নতুন আশাৰ বতৰা, য'ত সকলোৱে গাব কেৱল মানৱতাৰ জয়গান। পুৱাৰ উদিত সূৰ্যৰ ৰাঙলী আভা আৰু হিয়াৰ আমঠু ৰঙালী বিহুৰ যুগলবন্দীত ভূলুণ্ঠিত মানৱতাই ন-ৰূপত নিজকে সজাই তোলক।


ৰঙিলী বাৰ্তাৰ মজিয়াৰ পৰা সমগ্ৰ অসমবাসীৰ লগতে সকলোলৈকে অযুত ৰঙীন শুভেচ্ছা ৰঙিলী বাৰ্তাৰ সমূহ পৰিয়ালৰ তৰফৰ পৰা জ্ঞাপন কৰিলো।

**দেৱাশীষ গোস্বামী**



আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286 Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।

Do follow us on Facebook, Twitter and Instagram as - rongilibarta



# জয় ৰাম ৰমেশৰ সংবাদ মেল

ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাৱত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা সাংসদ জয়ৰাম ৰমেশে এখন সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদমেলত বিজেপি চৰকাৰক জয়ৰাম ৰমেশে সমালোচনা কৰি কয় যে পূৰ্বতে ২০ দিনৰ ভিতৰতে লোকসভা নিৰ্বাচন সমাপ্ত হৈছিল, কিন্তু এতিয়া ৪২ দিন লাগিছে নিৰ্বাচন শেষ কৰিবলৈ। এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছ দলে আৰ্থিক আৰু সামাজিক বিষয়ক লৈ অৱতীৰ্ণ হৈছে। কিন্তু প্ৰধানমন্ত্ৰীয়ে এইসমূহ বিষয়ৰ পৰা আঁতৰি ধাৰ্মিক আৰু অন্যান্য বিষয় লৈহে নিৰ্বাচনত অৱতীৰ্ণ হোৱা দেখা গৈছে। ৫ টা বিষয়ত ন্যায় আৰু ২৫ টা গেৰাণ্টি লৈ এইবাৰ কংগ্ৰেছে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। কংগ্ৰেছে সমগ্ৰ দেশৰ ৮ কোটি লোকৰ পৰিয়ালৰ মাজত ‘ঘৰ ঘৰ গেৰাণ্টি’ কাৰ্ড বিতৰণ কৰিছে আৰু অসমতো ২২ লাখ পৰিয়ালৰ মাজত ঘৰ ঘৰ গেৰাণ্টি কাৰ্ড বিতৰণ কৰিছে। ২০২৪ ৰ নিৰ্বাচন কংগ্ৰেছৰ গেৰাণ্টি আৰু বিজেপিৰ ঝুমলাৰ মাজৰ যুঁজ বুলি তেওঁ অভিহিত কৰে। অসমত কংগ্ৰেছ দল দুৰ্বল হোৱা বুলি কৰা মন্তব্যৰ প্ৰত্যুত্তৰত তেওঁ কয় যে এজন ব্যক্তিয়ে যেতিয়া কংগ্ৰেছ দল এৰে তেতিয়া হাজাৰ হাজাৰ কৰ্মীয়ে নেতৃত্ব লয়। কংগ্ৰেছত ৩০ বছৰৰো অধিক সময় থাকি বিশ্বাসঘাটকতা কৰাসকলৰ ভিতৰত অসমৰ




বৰ্তমানৰ মুখ্যমন্ত্ৰী নিজেই উদাহৰণ। এইবাৰৰ নিৰ্বাচনী যুঁজ বিচাৰধাৰা, গণতন্ত্ৰ আৰু সংবিধানক ৰক্ষা কৰাৰ যুঁজ। ৩৭০ অনুচ্ছেদ যদি বাতিল কৰিব পাৰে তেন্তে ৩৭১ অনুচ্ছেদ কিয় বাতিল নকৰে? এইবাৰ ৪০০ পাৰ শ্ল’গান দি দেশৰ সংবিধানখন সলনি কৰিবলৈ পৰিকল্পনা কৰিছে। বি আৰ আম্বেদকাৰৰ সংবিধানখন মোদীৰ পচন্দ হোৱা নাই, সেয়ে আৰ এছ এছ, মোদীৰ সংবিধান কৰাৰ প্ৰচেষ্টা অব্যাহত চলিছে। নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছৰ একাউণ্ট বন্ধ কৰিছে। ৩০০ কোটি টকা প্ৰধানমন্ত্ৰীয়ে চুৰি কৰিলে, দৈনিক কংগ্ৰেছ কৰ্মীৰ ওপৰত আক্ৰমণ চলিছে। কংগ্ৰেছে কিন্তু কাকো ভয় নকৰে। যিসকলে ভয় খুৱাইছে তেওঁলোক নিজেই ভয় খাই আছে। ২০২৪ ৰ জুনত কি পৰিৱেশ হয় চাই ল’ব। এই সংবাদ মেলত ৰমেশৰ উপৰিও এ আই চি চিৰ সাধাৰণ সম্পাদক পৃথিৱাজ সাথে, এ আই চি চিৰ (মিডিয়া যোগাযোগ) মহিমা সিং আৰু ইয়েচ শ্ৰী বাস্তৱ, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি নৰ তালুকদাৰ, অসম প্ৰদেশ কংগ্ৰেছ মিডিয়া অধ্যক্ষ বেদব্ৰত বৰা, মিডিয়া উপাধ্যক্ষ কুশল শৰ্মাকে আদি কৰি কংগ্ৰেছ কৰ্মী উপস্থিত থাকে।

# মাছ কটা দাৰে হত্যা কৰিলে পত্নী-কন্যাক

ৰঙিলী বাৰ্তাসেৱা- দক্ষিণ কামৰূপৰ নগৰবেৰাত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। কামৰূপ গ্ৰাম্য জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত হৰিদোবা নামৰ গাঁৱত সংঘটিত হত্যাকাণ্ডই সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। মাছ কটা দাঁৰে স্বামীয়ে হত্যা কৰিলে নিজৰ পত্নী আৰু ছবছৰীয়া কন্যাক। সোমবাৰে দুপৰীয়াভাগত সংঘটিত হৈছে এই ভয়ংকৰ ঘটনা। স্থানীয় লোকৰ ভাষ্য অনুসৰি ভোজন মালো নামৰ ব্যক্তিগৰাকীয়ে পাৰিবাৰিক কন্দলৰ বাবে তেঁওৰ পত্নী আৰু কণমানি কন্যাক চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। স্বামী তথা পিতৃ ভোজন মালোৰ চোকা অস্ত্ৰৰ আক্ৰমণৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মাতৃ-কন্যাই অৱশেষত অকাল মৃত্যুক আঁকোৱালি ল’ব লগা হয়। পেছাত মৎস্য ব্যৱসায়ী ধৃত ভোজনে মাছ কটা দাৰে দুয়োটা হত্যাকাণ্ড সংঘটিত কৰা বুলি জানিব পৰা গৈছে। ইপিনে এই ভয়ংকৰ হত্যাকাণ্ড সংঘটিত কৰিয়ে নগৰবেৰা থানাত আত্মসমৰ্পণ কৰিছে অভিযুক্ত ভজন মালোৱে। ইতিমধ্যে আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰাৰ সমান্তৰালকৈ হত্যাকাণ্ডৰে জড়িত ধৃত ভোজন মালোক আটক কৰি সোধা-পোচা অব্যাহত ৰাখিছে।

# নিৰ্বাচনী প্ৰচাৰৰ চলাৱলৈ মাজুলীত উপস্থিত মন্ত্ৰী ড° ৰনোজ পেগু, জয়ন্ত মল্ল বৰুৱা



ৰঙিলী বাৰ্তাসেৱা- দেশৰ আগন্তুক সাধাৰণ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনৰ ১৪ টা সমষ্টিৰ ভিতৰত এইবাৰ নিৰ্বাচনী প্ৰচাৰ আকৰ্ষণীয় হৈছে ১৪ নং যোৰহাট লোকসভা সমষ্টিৰ। দুদিনীয়া নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচী হাতত লৈ যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাৱলৈ মাজুলীত উপস্থিত হয় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা। মন্ত্ৰী গৰাকীয়ে প্ৰথমে বিজেপি মিত্ৰজোঁটৰ গড়মূৰস্থিত মুখ্য নিৰ্বাচনী কাৰ্য্যালয়ত মাজুলীৰ জেষ্ঠ নাগৰিক সকলৰ সৈতে সৌহাদ্যমূলক বাৰ্তালাপ অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত মন্ত্ৰী গৰাকীয়ে ৰতনপুৰ-গায়ন পঞ্চায়তৰ অন্তৰ্গত নিকিনিখোৱা, বাঘেমাৰীত কোঁচ ৰাজবংশী জনসভাত অংশগ্ৰহণ কৰি নতুন বজাৰৰ পৰা মঙভালচুকলৈ এক পদযাত্ৰাত অংশগ্ৰহণ কৰে। কালিলৈ মন্ত্ৰী গৰাকীয়ে কৰতিপাৰ গাঁও পঞ্চায়তত এখনি ৰাজহুৱা নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহন কৰিব। ইফালে লখিমপুৰৰ পৰা মাজুলীত নতুনকৈ সংযোজন হোৱা লুইত খাবলু পঞ্চায়তৰ অন্তৰ্গত বৰালীমৰাত এখন জনসভাত অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ড° ৰনোজ পেগুৱে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰী গৰাকীৰ সৈতে উপস্থিত থাকে মাজুলী জিলা বিজেপিৰ সভাপতি বিৰেণ শইকীয়া আৰু মিত্ৰদল গণশক্তি আৰু অগপ দলৰ বহু নেতা কৰ্মী।

# ডিগবৈত পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানৰ নিৰ্বাচনী সমাবেশ



ৰঙিলী বাৰ্তাসেৱা- “অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে পূৰ্বে কংগ্ৰেছ চৰকাৰৰ আমোলত শিক্ষা আৰু স্বাস্থ্য মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেতিয়া তেওঁ ইচ্ছা কৰিলে ৰাজ্যৰ শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ যথেষ্ট পৰিবৰ্তন কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়া নকৰিলে। এতিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ৰাজ্যৰ ৮ হাজাৰ চৰকাৰী স্কুল বন্ধ কৰিছে।” তিনিচুকীয়া জিলাৰ টিংৰাই বাঙালী বালিজান খেলপথাৰত অনুষ্ঠিত আম আদমী পাৰ্টিৰ বিশাল নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰি এই অভিযোগ উত্থাপন কৰে পঞ্জাৱৰ মুখ্যমন্ত্ৰী তথা আপৰ ৰাষ্ট্ৰীয় নেতা ভগৱন্ত মানে। আপৰ নেতাগৰাকীয়ে কয়- ‘ৰাজ্যৰ চৰকাৰী বিদ্যালয়ত ছাত্ৰ - ছাত্ৰী নথকাৰ অজুহাতত স্কুল বন্ধ কৰা হৈছে। আনহাতে অসমৰ মুখ্যমন্ত্ৰীৰ পত্নীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰি ব্যৱসায় আৰম্ভ কৰিছে। যি ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ পত্নীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰে, তাত চৰকাৰী বিদ্যালয় বন্ধ হ’বই।’ এনেদৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনাৰে থকা সৰকা কৰে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে। তেওঁ দিল্লী আৰু পঞ্জাৱৰ চৰকাৰী স্কুল আৰু মহল্লা ক্লিনিকৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় - দিল্লীত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে শাসনভাৰ লোৱাৰ সময়ত আৰু পঞ্জাৱত ভগৱন্ত মানে চৰকাৰ গঠনৰ সময়ত সেই দুয়োখন ৰাজ্যৰ চৰকাৰী স্কুল আৰু হাস্পতালৰ অৱস্থাও অসমৰ দৰে আছিল। কিন্তু আপৰ চৰকাৰে তাৰ পৰিৱৰ্তন সাধন কৰিলে।

(তেৰ পৃষ্ঠাত চাওক)

# অসম গণ পৰিষদৰ মত বিনিময় অনুষ্ঠান




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ আমবাৰীস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত আজি অসম গণ পৰিষদ দল আৰু সাংবাদিক বন্ধু সকলৰ মাজত এক বন্ধুত্ব সুলভ মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত বৈদ্যুতিক মাধ্যম, বিভিন্ন বাতৰি কাকতৰ সংবাদ কৰ্মীৰ আগন্তুক লোকসভা তথা কা আইন

(তেৰ পৃষ্ঠাত চাওক)

# এবিভিপিৰ ভোটাৰ সজাগতা অভিযানৰ পোষ্টাৰ মুকলি



ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, অসম প্ৰদেশৰ দ্বাৰা আগন্তুক লোকসভা নিৰ্বাচনত ১০০ শতাংশ ভোটদান সজাগতা অভিযানৰ পোষ্টাৰ, ষ্টীকাৰ আৰু প্ৰচাৰ পত্ৰিকা অসমৰ বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত মুকলি কৰা হয়। ১০০ ভোটদানৰ এই সজাগতা অভিযানৰ সন্দৰ্ভত ৰাজ্যিক সম্পাদক হেৰম্ভ মহনে কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিশ্বগুৰুৰ আসনত অধিষ্ঠিত কৰিবলৈ বিদ্যাৰ্থী পৰিষদ দৃঢ় প্ৰতিজ্ঞাবদ্ধ। বিদ্যাৰ্থী পৰিষদে অসমৰ বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰ চৌহদত নতুন ভোটাৰ সকলক নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান কৰিব আৰু সমগ্ৰ ৰাজ্যত দুহাজাৰতকৈও অধিক সজাগতা সভা অনুষ্ঠিত কৰিব। গণতন্ত্ৰৰ এই মহান উৎসৱৰ সময়ত ভোটাৰ সকলৰ মাজত সজাগতা অভিযান চলাই দেশৰ সৰ্বাংগীন বিকাশৰ বাবে নিজৰ ভোট দান কৰিবলৈ আহ্বান কৰিব। সমগ্ৰ বিশ্বতে ভাৰতৰ প্ৰতিপত্তি বৃদ্ধি পাইছে। ভাৰত বিশ্বৰ পঞ্চম বৃহত্তম অৰ্থনৈতিক মহাশক্তি হিচাপে গঢ় লৈছে। বৰ্তমান (তেৰ পৃষ্ঠাত চাওক)

# ফটাশিল-আমবাৰীত নিৰ্বাচনী সভা



ৰঙিলী বাৰ্ত্তাসেৱা- ফটাশিল আমবাৰীৰ দুৰ্গা মন্দিৰত কালি অসম গণ পৰিষদ, ভাৰতীয় জনতা পাৰ্টীৰ আৰু মিত্ৰ দলসমূহৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকে মিত্ৰ দলৰ ৫ নং গুৱাহাটী লোকসভাৰ প্ৰাৰ্থী বিজুলী কলিতা মেধী, পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতা, গুৱাহাটীৰ পৌৰপতি মৃগেন শৰনীয়া, উপ পৌৰপতি স্মৃতা ৰয় দাস, প্ৰাক্তন পাৰিষদ ভূপেন ঠাকুৰীয়া, মুকুট কলিতা, ৰিংকু কলিতা, বাবুপ্ৰসাদ শৰ্মা, গোলাপ ডেকা, হিৰেন ডেকা, শংকৰ দত্ত, কুশল মালী, জিতেন বৈষ্ণৱ, মহেশ কলিতা, যোগেন কুমাৰ, গীতাৰাণী কলিতা, পূৰবী তালুকদাৰ, অজয় দাস, ৰাহুল কলিতা, নিপন কলিতা, অসীম ডেকা, ভাৰতীয় পাৰ্টীৰ ভৰলুমুখ মণ্ডলৰ সভাপতি হিৰেন মেধী, বি জে পি ৰ জ্যেষ্ঠ নেতা ক্ৰমে অশোক ভৰালী, মুকুতা ডেকা অকনি দেৱী, পূৰবী ৰয়ৰ লগতে অগপ, বিজেপিৰ বহুতো নেতা কৰ্মী উপস্থিত থাকে।

# ওলা উবেৰ চালকৰ প্ৰতিক্ৰিয়াঃ ঈদ-বিহুৰ পাছত বয়কত কৰিব ওলা উবেৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী ৰে'লৱে ষ্টেচনৰ ওলা উবেৰ চালক সকলে ৰে'লৱে ষ্টেচনৰ ওলা উবেৰ চালক সকলৰ পাৰ্কিং স্থানত সদৌ গুৱাহাটী কেব ড্ৰাইভাৰ সন্থাৰ সভাপতি লিয়াকত আলী, চালক ঐক্য মঞ্চৰ সভাপতি ৰিংকু কুমাৰ দাস আৰু সাধাৰণ সম্পাদক বলোৰাম শৰ্মা, সদৌ গুৱাহাটী ড্ৰাইভাৰ এ'ছচিয়েচনৰ সাধাৰণ সম্পাদক বিতোপন হাজৰিকাৰ নেতৃত্বত প্ৰায় ৩০ গৰাকী মান চালক শ্ৰমিকে এক গোট হৈ সাংবাদিকৰ আগত চৰকাৰ আৰু ওলা উবেৰ প্ৰতিষ্ঠানৰ শোষণৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। চৰকাৰৰ অতিৰিক্ত কৰৰ বোজা যি কোনো ক্ষেত্ৰত অত্যাধিক জৰিমনা আৰু ওলা ওবেৰ প্ৰতিষ্ঠান সমূহৰ শোষণ নীতিৰ বিৰুদ্ধে তেওঁলোকে এই কাৰ্য্যসূচী হাতত লয়। চৰকাৰক বাৰে বাৰে অৱগত কৰাৰ পাছটো কোনো ব্যৱস্থা নোলোৱাৰ বাবে তেওঁলোকে এই পন্থা লবলৈ বাধ্য হৈছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁলোকৰ দাবী যে ৮০ শতাংশ তেওঁলোকৰ প্ৰাপ্য আৰু ২০ শতাংশ এই প্ৰতিষ্ঠান সমূহৰ হ'ব লাগে। যদি চৰকাৰে এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰে তেন্তে ঈদ আৰু বিহুৰ পাছত চালক সকলে এই ওলা উবেৰ প্ৰতিষ্ঠান সমূহ সম্পূৰ্ণ ৰূপে বয়কত কৰিব বুলি তেওঁলোকে হুংকাৰ দিয়ে।

# মাজুলীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্বাচনী প্ৰচাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলীত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰক্ষেপিত প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰী সোণোৱালে হেলিকপ্টাৰেৰে অৱতৰণ কৰি উজনি মাজুলীৰ ফুলনিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহন কৰি উত্তৰ কমলাবাৰী সত্ৰৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত প্ৰবুদ্ধ সন্মিলনত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত আঁহতগুৰিৰ চেচুগুৰিত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী গৰাকীক স্থানীয় বিধায়ক ভুৱন গামকে ধৰি বহু কেইজন জিলা পৰ্যায়ৰ দলীয় কৰ্মীয়ে সংগ দিয়ে।

# নিৰ্বাচনী প্ৰচাৰৰ বাবে তৃতীয়বাৰলৈ মাজুলীত উপস্থিত মন্ত্ৰী পিযুষ হাজৰিকা



ৰঙিলী বাৰ্ত্তাসেৱা- ১৪ নং যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ তৃতীয় বাৰলৈ মাজুলীত উপস্থিত হয় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা। মন্ত্ৰী গৰাকীয়ে নিমাতী ঘাটৰ পৰা ফেৰীৰে মাজুলীলৈ পাৰ হৈ পূব মাজুলীৰ বনগাঁৱত প্ৰথমখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত ভাৰতীয় জাতীয় কংগ্ৰেছ মাজুলী জিলা সমিতিৰ বৰ্তমানৰ উপ-সভাপতি শংকৰ জ্যোতি হাজৰিকা আৰু সমাজ কৰ্মী তথা ভাৰতীয় জাতীয় কংগ্ৰেছ মাজুলী জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ফিজু দত্তৰ নেতৃত্বত বহু সংখ্যক কংগ্ৰেছ কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টিৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ দলটোত আনুষ্ঠানিকভাৱে যোগদান কৰে। ইয়াৰ পাছত মন্ত্ৰী পিযুষ হাজৰিকাই নামনি মাজুলীৰ চিলাকলা পঞ্চায়তৰ অন্তৰ্গত কাকৰিকটা গাঁৱত দ্বিতীয়খন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি পুনৰ বিয়লিৰ ফেৰীত যোৰহাটলৈ বুলি ৰাওনা হয়।

# অসম ৰাজ্যিক অংগন বাড়ী কৰ্মী আৰু সহায়িকা সন্থাৰ সংবাদ মেল

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত অংগনবাড়ী সন্থাই এখন সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদ মেলত সন্থাৰ সভানেত্ৰী জয়মতী দাসে মুখ্যমন্ত্ৰীৰ বক্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এই সন্থাই হেনো চি আই টি ইউৰ অধীনৰ পৰা আঁতৰি আহিব লাগে। মুখ্যমন্ত্ৰীয়ে চি আই টি ইউক নামানে। গতিকে ইয়াৰ পৰা আঁতৰি আহিলেহে সমস্যাবোৰ সমাধান হ'ব। অংগনবাড়ী কৰ্মী আৰু সহায়িকাৰ সমস্যাৰ ওপৰতহে তেওঁলোকে আন্দোলন চলায় আছে। গতিকে ইয়াত চি আই টি ইউৰ লগত কি কথা আছে। তেওঁলোকৰ প্ৰধান দাবী হৈছে মহিলা আৰু শিশু কল্যাণ বিভাগীয় (তেৰ পৃষ্ঠাত চাওক)

# মৰাণত লুৰিণজ্যোতি গগৈৰহৈ নিৰ্বাচনী প্ৰচাৰ অখিল গগৈৰ



ৰঙিলী বাৰ্ত্তাসেৰা- ‘বিৰোধী ঐক্যমঞ্চ অসম’ৰ বহুকেইগৰাকী নেতাক লগত লৈ মৰাণত লুৰীণজ্যোতি গগৈৰ নিৰ্বাচনী প্ৰচাৰ চলালে কংগ্ৰেছৰ তত্বাবধায়ক জিতেন্দ্ৰ সিং, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, কংগ্ৰেছী নেতা পৰন সিং ঘাটোৱাৰ, সোণোৱাল কছাৰী গণ মঞ্চৰ সাধাৰণ সম্পাদক গোপাল সোণোৱালে। মৰাণৰ তিলৈত কংগ্ৰেছৰ তত্বাবধায়ক জিতেন্দ্ৰ সিং, এ আই চি চিৰ সম্পাদক পৃথ্বীৰাজ চাথে, অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, কংগ্ৰেছী নেতা পৰন সিং ঘাটোৱাৰ আৰু বহুকেইগৰাকী নেতাৰ সৈতে নিৰ্বাচনী প্ৰচাৰ চলালে বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে। দুই সহস্ৰাধিক লোকৰ উপস্থিতিত নিৰ্বাচনী সভাত আনুষ্ঠানিকভাৱে বিৰোধী ঐক্য মঞ্চত যোগদান কৰে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ কেন্দ্ৰীক ৰাজনৈতিক দল ‘সোণোৱাল কছাৰী গণ মঞ্চ’ই। ‘সোণোৱাল কছাৰী গণ মঞ্চ’ৰ সাধাৰণ সম্পাদক গোপাল সোণোৱালক আদৰনি জনায়

(তেৰ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত বিজেপিৰ বৃহৎ সংখ্যকৰ যোগদান কাৰ্যসূচী



ৰঙিলী বাৰ্ত্তাসেৰা- গেৰুৱা বসন পিন্ধিলে মটক স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ দেৱৰ্ষি চেতিয়া আৰু সমাজকৰ্মী দয়ানন্দ শ্বাহে। জাতীয় সংগঠনৰ নেতা, কংগ্ৰেছ, আপকে ধৰি প্ৰায় শতাধিক লোকে বিজেপিৰ অস্থায়ী কাৰ্যালয়ত বৃহৎ যোগদান কৰে। মটক স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ দেৱৰ্ষি চেতিয়া, লাহোৱালৰ বিশিষ্ট সমাজকৰ্মী তথা অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ উপদেষ্টা দয়ানন্দ শ্বাহেও গেৰুৱা বসন পিন্ধে। মটক স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য তুষাৰ ৰঞ্জন চেতিয়া, নিৰেন শইকীয়া, চাবুৱা সমষ্টিৰ ২১ চনৰ নিৰ্দলীয় প্ৰাৰ্থী প্ৰিয়ংকা নেওগ, আপ, অসম জাতীয় পৰিষদ, কংগ্ৰেছ, মটক ছাত্ৰ সন্থা, মটক যুৱ-ছাত্ৰ সন্মিলন আদিকে ধৰি শতাধিক কৰ্মীয়ে বিজেপি দলত যোগদান কৰে। যোগদান কাৰ্য্যসূচীত বিজেপি ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱাল, অসমৰ নিৰ্বাচন পৰ্যবেশক কেপ্টেন অভিমুন্য কাশ্যপ, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিমল বৰুৱা, বিধায়ক বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন আদি এই যোগদান কাৰ্যসূচীত উপস্থিত থাকে।

# গুৱাহাটীত এবিভিপিৰ প্ৰাক্ ব'হাগী উৎসৱ উদযাপন



ৰঙিলী বাৰ্ত্তাসেৰা- সন্মূখত অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহু। অসম আৰু অসমীয়াৰ উৎসাহৰ আৰু আদৰৰ এই ৰঙালী বিহুৰ প্ৰাক্ ক্ষণত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ বি. বৰুৱা মহাবিদ্যালয়, পাণ্ডু মহাবিদ্যালয় গোটৰ উদ্যোগত নেহৰু ষ্টেডিয়ামৰ বাকৰিত আৰু পাণ্ডু মহাবিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে প্ৰাক্ ব'হাগী উৎসৱ উদযাপন কৰা হয়। গুৱাহাটী মহানগৰীৰ প্ৰায় গোটেইকেইখন মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত অতি উলহ মালহেৰে এই প্ৰাক্ ব'হাগী উৎসৱ উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক সম্পাদক হেৰম্ভ মহন আৰু দুয়োখন মহাবিদ্যালয়ৰেই অধ্যাপক-অধ্যাপিকা সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকি বিদ্যাৰ্থী পৰিষদৰ ৰাজিক সম্পাদক হেৰম্ভ মহনে সমগ্ৰ অসমবাসীক আগন্তুক ৰঙালী বিহুৰ ওলগ আৰু আহি থকা অসমীয়া নৱবৰ্ষৰ অলেখ শুভকামনা জ্ঞাপন কৰে। লগতে তেওঁ কয় যে- “এয়া হৈছে উৎসৱ আৰু আনন্দৰ সময়, সমগ্ৰ অসমবাসী এতিয়া হেঁপাহৰ ৰঙালীক আদৰাৰ প্ৰস্তুতিত ব্যস্ত। এই ৰঙালী বিহুৰ বিনন্দীয়া সময়ে সকলোৰে জীৱনলৈ সুখ আৰু আনন্দ কঢ়িয়াই লৈ আহক।”

# নাগৰিক সমন্বয় ৰক্ষী সমিতিৰ মানৱ শৃংখল



ৰঙিলী বাৰ্ত্তাসেৰা- গুৱাহাটীৰ নাগৰিক সমন্বয় ৰক্ষী সমিতিৰ উদ্যোগত খনীন্দ্ৰ লাল শৰ্মা, আব্দুল আহাদ, সমীক্ষ দাস, অবিনাশ শৰ্মাৰ নেতৃত্বত এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰে। মাছখোৱাস্থিত শংকৰদেৱ উদ্যানৰ পদপথত হাতে হাত ধৰি শান্তি পূৰ্ণ ভাবে কাৰ্যসূচীত ভাগ লোৱা মানুহ বোৰৰ ডিঙিত একোখনকৈ বিভিন্ন শ্লোগানৰ ফ্লেগ ওলোমাই ৰাখিছিল। তেওঁলোকৰ দাবী ভৰলুমুখ, শান্তিপুৰ, মাছখোৱা, কুমাৰপাৰা, আঠগাঁও, ফটাশিল, ইত্যাদি অঞ্চলত ভয়াবহ যান যঁতৰ সমাধান কৰা আৰু ভূতনাথ বাছ আস্থানৰ পৰা মাছখোৱা লাচিতঘাত লৈ উন্নয়নৰ নামত সম্পূৰ্ণ পথচোৱা বন্ধ কৰি দিয়া কাৰ্যক বিৰোধ কৰে। প্ৰশাসনৰ হঠকাৰি সিদ্ধান্তৰ ফলত ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ জনতাই দুৰ্ভোগ ভূগিবলগা হৈ আছে বুলি অভিযোগ কৰে। স্থানীয় প্ৰায় ২০০ জ্যেষ্ঠ, কনিষ্ঠ, পুৰুষ মহিলাই অংশ গ্ৰহণ কৰা এই মানৱ শৃংখল কাৰ্যসূচী আছিল স্বতঃস্ফুত তথা শান্তি পূৰ্ণ। পূৰ্বে প্ৰশাসনক আবেদন নিবেদন কৰাৰ পাছতো কোনো গুৰুত্ব নিদিয়াত চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ এই কাৰ্যসূচী ৰূপায়ন কৰে বুলি উপস্থিত ৰাইজক অবগত কৰে। আৰু অতি শীঘ্ৰেই বন্ধ পথছোৱা খুলি দি সাধাৰণ জনতাক সকাহ দিব লাগে বুলি সকলোৱে একেমুখে দাবী উথাপন কৰে। কাৰ্যসূচী চলি থকাৰ সময়ত দাবী সম্বলিত এখন গোহাৰি আৰু এখন বিবৃতি পত্ৰ বিতৰণ জনসাধাৰণৰ মাজত বিতৰণ কৰে।

# ডিব্ৰুগড়ত শান্তিপূৰ্ণ ভাৱে ঈদ উদযাপন



ৰঙিলী বাৰ্ত্তাসেৰা- ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো পৱিত্ৰ “ঈদুল ফিটৰ” উৎসৱ পালন কৰা হয়। ইছলামধৰ্মী লোকসকলে সম্পূৰ্ণ এমাহ উপবাস থকাৰ পাছত পৰম্পৰাগত ভাৱে ঈদ উদযাপন কৰে। ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা “ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ” ত প্ৰায় আঠ-দহ হাজাৰ লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। শাৰীবদ্ধ ভাৱে কান্ধত কান্ধ মিলাই নামাজ পঢ়া এই দৃশ্য অতি মনোমোহা। ঈদৰ নামাজত ইমামতি কৰে গ্ৰাহাম বজাৰ মছজিদৰ পেচ ইমাম মুফতি আলহ; আব্দুৰ ৰহমানে। নামাজৰ অন্তত ইমাম গৰাকীয়ে হিন্দু, মুচলিম, খৃষ্টান শিখ, ইছাই সকলোৰে মাজত সাতাম পুৰুষীয়া মিলা প্ৰীতি, সম্প্ৰীতি আৰু বিশ্বভ্ৰাতৃত্বৰ কথা কোৱাৰ লগতে বিশ্বশান্তিৰ কামনা কৰি তেওঁ দোৱা-আশীৰ্বাদ কৰে। নামাজৰ অন্তত ঈদগাহ কমিটিৰ সম্পাদক আলহজ আমানুল্লা আনচাৰিয়ে উপস্থিত সকলোকে ঈদ মোবাৰক আৰু ধন্যবাদ জনায়। শলাগৰ শৰাই আগবঢ়ায় ঈদগাহ কমিটিৰ সম্পাদক আলহজ চৌকত আলিয়ে। তেওঁ ডিব্ৰুগড় জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, বিদ্যুৎ বিভাগ, ডিব্ৰুগড় পৌৰসভা আৰু সংবাদ মাধ্যমৰ লগতে ঈদগাহৰ কৰ্মী সকলক তেওঁলোকে আগ বঢ়োৱা সহায় সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড়ত বতৰ ফৰকাল হোৱা বাবে ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা “আলহজ জালালউদ্দিন আহমেদ ঈদগাহ” ত প্ৰায় দুই হাজাৰ লোকে নামাজত অংশ গ্ৰহণ কৰে। ইয়াত ইমামতি কৰে অসম জামিউল মাদ্ৰাছাৰ মুখ্য মৌলানা মঞ্জুৰ আহমেদে। তেওঁ বিশ্ব শান্তিৰ বাবে পৰম কৰুণাময়ৰ ওচৰত দুহাত তুলি দেশৰ দহৰ বাবে প্ৰাৰ্থনা কৰে। ডিব্ৰুগড়ত থকা ২৮টা মছজিদটো শান্তিপূৰ্ণ ভাৱে ঈদৰ নামাজ অনুষ্ঠিত হয়। ঈদ উপলক্ষে বিভিন্ন জনে শুভেচ্ছা

(তেৰ পৃষ্ঠাত চাওক)

# বিহুগীতত শাকঃ চহা অসমীয়াৰ নান্দনিক সাংস্কৃতিক কৰ্ম

**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**

অসমীয়াৰ ব'হাগ বিহু এনে এটা উৎসৱ য'ত অসমীয়া জনজীৱনৰ লগত জড়িত প্ৰতিটো বিষয়েই কিবা নহয় কিবা প্ৰকাৰে স্থান পাইছে। যেনেঃ খেল-ধেমালি, গীত-নৃত্য, সাজ -পোছাক, পিঠা-পনা, চৰাই-চিৰিকটি, জীৱ-জন্তু, ফল-ফুল, গছ-লতা, শাক-পাচলি আদি। কোনোটো যদি বিহুৰ লগত জড়িত নিয়ম-নীতি বা লোকাচাৰৰ মাজেদি আহিছে, কোনোটো আকৌ বিহুগীতৰ মাজেদি আহিছে। কোনোটো যদি বাদ্যযন্ত্ৰ হৈ আহিছে, কোনোটো আকৌ খাদ্যসম্ভাৰ হৈ আহিছে। বিশেষকৈ থলুৱা খাদ্যবস্তু ব'হাগ বিহুৰ লগত অংগাংগীভাৱে জড়িত। তেনে এবিধ খাদ্যবস্তু হৈছে শাক।

শাক মানুহৰ সুস্থ দেহ আৰু মনৰ বাবে আটাইতকৈ উপযোগী আৰু উত্তম খাদ্যবস্তু। শাকত প্ৰচুৰ পৰিমাণে আইৰণ, ভিটামিন, আঁহ জাতীয় (fibre) আৰু খনিজ পদাৰ্থ (minarels), প্ৰতিজাৰককে (antioxidants) ধৰি শৰীৰৰ বাবে উপযোগী প্ৰায়বোৰ মূল্যবান উপাদানেই থাকে। তাৰে ভিতৰত আকৌ বহুতৰে আছে ঔষধি গুণ। পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় ৮০ শতাংশ লোকেই স্বাস্থ্য সেৱাৰ বাবে বা ৰোগ নিৰাময়ৰ বাবে পৰম্পৰাগত ঔষধৰ ওপৰতেই বিশ্বাস কৰে; যাৰ সৰহখিনিয়েই নিষ্কাষণ কৰা হয় উদ্ভিদৰ পৰা।



প্ৰাচীন কালৰ পৰাই শাক-পাচলি মানুহৰ দৈনন্দিন আহাৰৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ আহিছে। আনকি অসমৰ প্ৰায় প্ৰতিটো জনগোষ্ঠীয়েই বিশেষ বিশেষ উৎসৱ-পাৰ্বনত শাক খোৱাটো এটা পুৰণিকলীয়া পৰম্পৰা। তাৰে ভিতৰত ব'হাগ বিহুত 'সাত শাকী' খোৱাটো এটা চহকী পৰম্পৰা। এই প্ৰথা অসমৰ প্ৰায়বোৰ জনগোষ্ঠীৰ মাজতেই প্ৰচলিত আছে। কোনোৱে গৰুবিহুৰ দিনা আৰু কোনোৱে সাত বিহুৰ ভিতৰত সাত শাকী খায়। সাত শাকী বুলি ক'লে বহুতেই সাত বিধ শাকৰে প্ৰস্তুত কৰা খাদ্যসম্ভাৰ বুলি ভাবে যদিও আচলতে কথাটো তেনেকুৱা নহয়। খোৱাৰ উপযোগী সকলো শাকেই ইয়াত সন্নিৱিষ্ট কৰা হয়। ফলত শাকৰ ভিন্নতা এক শতাধিক হয়গৈ। তাৰে ভিতৰত তিতা শাক অন্যতম। সাত শাকীত তিতাশাক লাগিবই লাগিব। 'বাহক'ক তিতাৰ ৰজা আৰু 'মৰলীয়া' অথবা 'ঠেটনি শাক' ক শাকৰ ৰজা বুলি কোৱা হয়। সাত শাকী খালে মানুহ নিৰোগী হয়, বা ৰোগ আৰোগ্য হয় বুলি মানুহে বিশ্বাস কৰে।

শাকৰ উপকাৰীতাৰ বিষয়ে সকলো জ্ঞাত। এই বিষয়ে নতুনকৈ আলোচনাৰ সকাম নাই। সেইবাবেই প্ৰাচীন কালৰে পৰা শাকৰ চাহিদা একেই আছে। সেই একে কাৰণতে হয়তো অসমীয়া কৃষিজীৱী স্বভাৱ-কবিসকলকো ইমানেই প্ৰভাৱিত কৰিছিল যে, তেওঁলোকে বিহুগীতৰ মাজতো শাকৰ নাম ল'বলৈ এৰা নাছিল। তাহানিতে চহা কৃষকে প্ৰেম-পীৰিতিসৰ্বস্ব বিহুগীতবোৰৰ মাজত শাকৰ উপকাৰীতাৰ বিষয়ে গুণ-গান গোৱা নাছিল সঁচা, তথাপিও চহা বিহুৱাই বিভিন্ন শাকৰ উপমা দি যি কৌশলেৰে বিহুগীতবোৰ গাইছিল, সেইবোৰ আজিও সমানেই জনপ্ৰিয়। তেনে কিছুমান শাক হৈছে ভেবেলি লতা, লাই শাক, লফা শাক, বেহাৰ শাক, খুতৰা শাক আদি।

বিহুগীতবোৰ প্ৰধানতঃ প্ৰেম-পীৰিতিৰ গীত। সেই গীতবোৰৰ মাজেৰে বিহুৱা-বিহুৱতীয়ে পৰস্পৰে পৰস্পৰলৈ প্ৰেম নিবেদন কৰে। উপৰুৱাভাৱে চালে তাৰ মাজত শাক-পাচলি, গছ-গছনি, চৰাই-চিৰিকটিৰ নাম লোৱাৰ প্ৰশ্নই নাহে। কিন্তু বিহুগীতৰ সৌন্দৰ্য তাতেই, য'ত প্ৰেম-পীৰিতিৰ মাজতো এইবোৰ প্ৰাকৃতিক বাস্তৱেও উপযুক্ত স্থান লাভ কৰিছে। প্ৰেম নিবেদন কৰি গোৱা বিহুগীতত যি বুদ্ধি আৰু কৌশলেৰে চহা অসমীয়াই লাই, লফা, খুতৰা আদি শাকৰ নাম লৈছিল, তাতেই পোৱা যায় স্বভাৱ-কবিসকলৰ শিল্পী মনৰ নৈপুণ্যতা। আহকচোন সৌ তাহানিৰে চহা বিহুৱা-বিহুৱতীয়ে পৰিৱেশন কৰা তেনে কিছুমান বিহুগীতৰ বিষয়ে আলোচনা কৰোঁ।

শৰীৰৰ বাবে এবিধ উত্তম শাক হৈছে ভেবেলি লতা। ইয়াক পাদুৰী লতা বা ভেদাই লতা বুলিও জনা যায়। ই এবিধ ঔষধি গুণযুক্ত লতা শাক। তদুপৰি ই উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ এবিধ পৰম্পৰাগত খাদ্যবস্তু। ইয়াক আৰ্থ্ৰাইটিছ, হাপানি, ডায়েৰিয়া, পাইলচ, ডায়েবেটিচ, দুৰ্বলতা আদি বিভিন্ন ৰোগত ব্যৱহাৰ কৰা হয়। এইবিধ লতাৰ প্ৰসংগ আনি বিহুৱা ডেকাই বিহুগীতত গাইছে এইদৰে-

চ'তে গৈ গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈ নো কৈ থাকিলে ওৰকে
নপৰে
ব'হাগৰ বিহুৰে কথা।

লাই শাক প্ৰধানতঃ এছিয়া আৰু ইউৰোপত পোৱা যায়। ইয়াত প্ৰচুৰ পৰিমাণে A, C, E আৰু K ভিটামিন থাকে।

(বাৰপৃষ্ঠাত চাওক)

অণুগল্পঃ

## পুৰুষত্ব

**শৈলেন কুমাৰ, মিৰ্জা**



কল্যাণৰ বিয়া যাবৰ বেছি দিন হোৱা নাই, কল্যাণ এজন শিক্ষিত লৰা। কল্যাণৰ কইনাৰ ঘৰ আকৌ দুৰণিবটীয়া, গাওঁখনৰ ওচৰচু বুৰীয়া লগৰীয়া, সমনীয়াৰ মাজত বুবা আৰম্ভ হ'লেই। এদিন কল্যাণক লগৰবোৰে বজাৰত লগ পাই ক'লে, বুজিছা কল্যাণ দিনকাল ভাল নহয়, আজিকালি বাতৰিকাকত, টেলিভিছনত দেখিবলৈ পঢ়িবলৈ পাওঁ বুলে আমুকাৰ ঘৈণীয়েক কাৰবাৰ লগত পৰকীয়া প্ৰেমত পৰি পলাই গ'ল, গতিকে পলম নকৰি তুমি পুৰুষত্বৰ পৰিচয় দিয়া আৰু অতিশীঘ্ৰে সন্তান জন্ম দিয়াৰহে কথা চিন্তা কৰা। লগৰীয়া বোৰৰ কথা শুনি কল্যাণে ভাবিবলৈ বাধ্য হ'লযে মুৰ্খৰ সমাজত জ্ঞান, সমৰ্পণ আৰু মূল্যবোধৰ কোনো মূল্য নাই, চেতনা আৰু জ্ঞান অবিহনে দেখাত মানুহৰ শৰীৰ ধাৰণ কৰিলেও সেইবোৰ একো একোজন পশু।

# বিহু অসমীয়া জাতিৰ স্বাভিমান

**দীপক শৰ্মা**

ভিন-ভিন বিহু কেন্দ্ৰিক আলোচনী, মুখপত্ৰ-স্মৰণিকা, দৈনিক-সাপ্তাহিক কাকত আদিত আমি একে জাতীয় ভালেমান লেখা পঢ়িবলৈ পাই আহিছোঁ। একেখিনি কথা বাৰে-




বাৰে দোহৰা নিষ্প্ৰয়োজন। আমি আটায়ে স্বীকাৰ কৰিবই লাগিব যে- অসমীয়া জাতিৰ মূল সম্পদ আবেগ। আমাৰ আবেগৰ বাবেই আমি বহুত সময়ত বহুত হেৰুৱাইছোঁ। বহু তেজাল ডেকাৰ প্ৰাণবায়ু গৈছে। অৰ্থনৈতিক দিশতো সীমাহীন ক্ষতি হৈছে। বহুতে আমাৰ আবেগক সুযোগ ৰূপেও গ্ৰহণ কৰিছে। অৱশ্যে আবেগ বৰ্জনৰ সামগ্ৰী নহয়। কেৱল আবেগৰ মূলধন ৰূপে লৈয়ে আমি মানৰ জাতি সংসাৰত বৰ্তি আছোঁ। কেৱল এটা নিৰ্দিষ্ট পৰিধি অতিক্ৰম কৰা সকলো কথাই আমাৰ বাবে ভয়ংকৰ ক্ষতিকাৰক। অতিক্ৰম কৰা কোনো কথাই আমাৰ বাবে ভয়ংকৰ ক্ষতিকাৰক। এই আবেগৰ গভীৰতাত উৎপত্তি হয় স্বাভিমান। বিহু অসমীয়া জাতিৰ স্বাভিমান। এই স্বাভিমানত আঘাত লগা মানেই জাতি এটাৰ চৰম অপমান হোৱা যেন বোধ হয়। বিহুৰ লগত জড়িত বিভিন্ন উপাদান যেনে : গামোচা, জাঁপি, ঢোল, পেঁপা, গগনা, তাল, টঙালী, বিহু গীত, বিহু- হুচৰী, বিহু নৃত্য এই সকলোবোৰেই অসমীয়া জাতিৰ একো-একোপদ অমূল্য সম্পদ। ইয়াৰ লগত জাতিটোৰ উন্নত সাংস্কৃতিক দিশ এটা জড়িত থকাই নহয়, ইয়াৰ লগত সুসভ্য অসমীয়া জাতিৰ গৌৰৱ, সৌৰ্য-বীৰ্যও প্ৰধানকৈ নিহিত হৈ আছে। যি জন অসমীয়াই ইয়াৰ মূল্য বা

(বাৰপৃষ্ঠাত চাওক)

অণুগল্পঃ

## হেঁপাহৰ বিহুৱান

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



ঘৰৰ বাহৰ খুটাত সাঁচি থোৱা টকাৰে হেঁপাহৰ বিহুৱান এখনি দিবলৈ তাই মনে মনে ভালপোৱা কৰ্ণ ককাইটিক লগ ধৰিবলৈ মনে প্ৰাণে বিচাৰিলে।

সন্ধিয়া সময়ত কৰ্ণ ককাইটিৰ লগত তাইৰ লগৰ মৰমীয়ে এজেনলগে বাইকত যোৱা দেখা দৃশ্যটি য়ে অন্তৰ কথা মনতে মৰহি গল।

# বিহুৰ ঐতিহ্য আৰু পৰম্পৰা বাছি থাকিব নে

মন্দিতা চেতিয়া গগৈ, ৰাজগড়, ডিব্ৰুগড়



অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু অসমীয়াই অতীজৰে পৰা পালন কৰি অহা বাপতি সাহোন বিহু তিনিটাও কৃষিভিত্তিক উৎসৱ হিচাবে পৰিগণিত হৈ আহিছে। কৃষিকৰ্মৰ যোগেদিয়েই অসমীয়াই গঢ়ি তুলিছে অসম ৰাজ্যৰ সৰ্বকালৰ জাতীয় ঐতিহ্যৰ পৰিচায়ক এক সুকীয়া সভ্যতা আৰু সংস্কৃতি। আৰু সেই সভ্যতা আৰু সংস্কৃতিৰে অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে বিহু উৎসৱ। অসম ভূমিত বসবাস কৰি অহা আলপাইন, অষ্ট্ৰিক, মংগোলীয় আদি কোনোবা এটা জনগোষ্ঠীৰ মাজত হয়তো কৃষিকৰ্মৰ আৰম্ভণিৰ আগে আগে গীত-নৃত্য, আনন্দ -ফূৰ্তি কৰাৰ মাধ্যমৰে বিহু উৎসৱে জন্ম লাভ কৰিছিল বুলি ধাৰণা কৰিব পৰা যায়।

অসমীয়া মানুহে তিনিটা বিহু পালন কৰে। চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত ব'হাগ বা ৰঙালী বিহু, পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিত মাঘ বা ভোগালী বিহু আৰু আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কাতি বিহু বা কঙালী বিহু। এই তিনিওটা বিহুৰেই অসমৰ প্ৰতিটো খিলঞ্জীয়া জাতি -জনগোষ্ঠীৰ স্বকীয় বৈশিষ্ট্য আৰু পৰম্পৰাৰ মাজেৰে সমগ্ৰ অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰি ৰাখিছে। সেয়ে বিহুক জীয়াই ৰাখিবলৈ প্ৰতিজন অসমীয়া দায়বদ্ধ আৰু বদ্ধপৰিকৰ হোৱাটো উচিত। চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত পালন কৰা ব'হাগ বিহু অসমীয়াই সাতদিনীয়াকৈ পালন কৰিছিল। সেইবাবে বহুতে ইয়াক সাতবিহু বুলিও নামাকৰণ কৰে। এই সাতবিহুৰ প্ৰতিটো দিনেই পালন কৰা বিহুৰ নাম সুকীয়া সুকীয়া আৰু ইয়াৰ বৈশিষ্ট বা তাৎপৰ্যও সুকীয়া। সাত বিহুৰ নাম কেইটা হ'ল - (১) গৰু বিহু, (২) মানুহ বিহু, (৩) গোসাঁই বিহু, (৪) তাঁতৰ বিহু, (৫) নাঙলৰ বিহু, (৬) জীয়ৰী বা চেনেহী বিহু, (৭)চেৰা বিহু।

বিহুৰ প্ৰথম দিনা গৰু বিহু। সেইদিনা গৰুক মাহ-হালধিৰে গা ধুৱাই। চুবুৰীয়া সকলো গৈ একেলগে নৈ'ত গৰু গা ধুওৱাৰ আমেজেই সুকীয়া। এই দৃশ্য অতিকৈ মনোৰম। ইয়াত চুবুৰীৰ প্ৰতিজন মানুহৰে মাজত থকা একতাৰ ভাৱ পৰিস্ফুত হয়। চাতত সজাই লাউ, বেঙেনা, কেৰেলা, থেকেৰা আদি গৰুৰ গা'লৈ দলিয়াই নিৰোগী আৰু শ্ৰীবৃদ্ধি হোৱাৰ কামনা কৰে। সেয়ে গা ধুৱাওঁতে গোৱা হয়- লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা। মা ৰে সৰু, বাপেৰে সৰু, তই হ'বি বৰ গৰু। পাছত চাতবোৰ ইঘৰে-সিঘৰে সলোৱাৰ নিয়ম। এই নিয়মত হয়তো ওচৰ চুবুৰীয়াৰ লগত থকা মৰম-চেনেহ আৰু আত্মীয়তা প্ৰকাশ পায়। লগতে বস্তু আদান-প্ৰদানৰ পৰম্পৰাও নিহিত হৈ থাকে। দীঘলতী আৰু মাখিয়তী গছৰ ঠালেৰে গৰুৰ গাত কোবাই ৰোগ-ব্যাধিৰপৰা ৰক্ষা পৰিবলৈ আৰু মহ, ডাঁহ আদি খেদোৱা হয়। সেয়ে গোৱা হয় - দীঘলতীৰ দীঘল পাত, মাখি মাৰোঁ জাত জাত। সন্ধিয়া গৰুৰ ডিঙিত নতুন পঘাৰে মেৰিয়াই ৰাখে। ন বিচনীৰে বিচি পিঠা খুৱায় সেৱা কৰে। বিহুৰ পাছতে অসমীয়া কৃষিজীৱি সমাজ খেতিৰ বাবে সাজু হয়। সেয়ে গৰু বিহুৰ দিনা নাঙল, যুঁৱলি, মৈ আদি খেতিৰ সঁজুলিবোৰ ধুই পৰিষ্কাৰ কৰে।


বৰ্তমান আধুনিক প্ৰযুক্তি কৌশল ব্যৱহাৰৰ ফলত গৰুৰ ঠাই ট্ৰেক্টৰে ল'লে। সেয়ে গৰুৰ আদৰো নোহোৱা হ'ল। বৰ্তমান গাঁৱতো গাই-গৰু দেখিবলৈ নোপোৱা হ'ল। খেতি-পথাৰ যে ট্ৰেক্টৰে হাল বাই কৰিছে এনে নহয়, আজি কেইবছৰমানৰ পৰা অসমীয়া মানুহে খেতি খোলা নকৰা হৈছে। পথাৰবোৰ এনেই চন পৰি থকা দেখা গৈছে। খেতি কৰাটো আজিকালি কষ্টকৰ কাম বুলি গণ্য কৰি বিনামূলীয়া চাউলৰ প্ৰতি হে আকৃষ্ট হয়। ইয়াৰ ফলত আগৰ তেজাল অসমীয়াৰ ঠাইত এলেহুৱা, কৰ্মভীৰু এচাম অসমীয়াৰ সৃষ্টি হ'ল। হাল বাবলৈ বাৰু আধুনিক প্ৰযুক্তি কৌশলকে ব্যৱহাৰ কৰিছে, কিন্তু গাখীৰ কণৰ বাবেও পেকেটত থকা বজাৰত উপলব্ধ সামগ্ৰী গ্ৰহণ কৰি স্বাস্থ্যহানি কৰিছে। এতিয়া গৰু বিহুৰ দিনা গা ধুৱাবলৈ মানুহৰ ঘৰত গৰু পাবলৈ নোহোৱা হ'ল। এনেদৰে থাকিলে ব'হাগ বিহুৰ প্ৰথম দিন যে গৰুবিহু হিচাপে উদযাপন কৰা হয়, সেয়া ভৱিষ্যত প্ৰজন্মই জনাৰ কোনো অৱকাশ নাথাকিব।

অসমীয়া জাতিটো স্বনিৰ্ভৰশীল জাতি আছিল। নিজৰ প্ৰয়োজনীয় প্ৰতিটো বস্তুৰেই নিজে তৈয়াৰ কৰি লৈছিল। প্ৰতিগৰাকী অসমীয়া তিৰোতাই তাঁত ব'ব জানিছিল, সূতা কাটি কাপোৰ বৈ লৈছিল। অসমীয়া তিৰোতাই একে ৰাতিৰ ভিতৰতে কপাহৰপৰা সূতা কাপোৰ বৈ ওলিয়াইছিল বুলি বুৰঞ্জীত উল্লেখ আছে। চিৰা, পিঠা, আখৈ, মুড়ি, হুৰুম আদি নানা খাদ্য প্ৰস্তুত কৰিছিল। বিভিন্ন সুস্বাদু আৰু স্বাস্থ্যৰ উপযোগী পিঠা-পনা নিজে প্ৰস্তুত কৰিছিল। দোকানৰ বস্তু কিনি খোৱাৰ অভ্যাস নাছিল বুলিবই পাৰি। কিন্তু বৰ্তমানে আন সময়ৰ কথা বাদেই, বিহুৰ সময়তো চিৰা-পিঠা প্ৰস্তুত নকৰে। আজিকালি উঠি অহা প্ৰজন্মই পিঠা-পনা খোৱাৰ পৰিবৰ্তে মেগী, চাওমিন, ম'ম, পিজ্জা জাতীয় বস্তুহে খোৱা হ'ল। আগৰ উদ্যমী তিৰোতাসকল এলেহুৱা হ'ল। ঢেকীশালৰ শব্দত এতিয়া চুবুৰী ৰজনজনাই নুঠে। প্ৰয়োজনত বিহুৰ দিনা আলহী অতিথিক দিবলৈ বহিৰাগত বনিয়াই প্ৰস্তুত কৰা চিৰা-পিঠাই আখলঘৰ অধিকাৰ কৰে। আজিকালি কিছুমান অসমীয়া মানুহৰ মানসিকতা এনেকুৱা হৈছে গৈ যে বিহুত আলহী-অতিথিক আপ্যায়ন কৰাৰ পৰিবৰ্তে ল'ৰা-ছোৱালীৰ স্কুল বন্ধৰ গইনা লৈ বাহিৰৰ ক'ৰবাত ফুৰিবলৈ যোৱাৰ হে ধাউতি বাঢ়ে। আগতে বিহুৰ বহুত আগৰেপৰাই তাঁতশালত শিপিনীৰ মাকোৰ খিতখিতনি শুনিবলৈ পোৱা গৈছিল। নিজহাতে আপোনজনলৈ ভমকাফুলীয়া বিহুৱান বৈছিল । ইয়াত তেওঁলোকৰ মৰমৰ বহিঃপ্ৰকাশ ঘটিছিল। কিন্তু এতিয়া চহৰ অঞ্চলৰ কথা বাদেই, গাঁৱতো তাঁতৰ মাকোৰ শব্দ পৰ্বতত কাছ কণী বিচৰাৰ দৰে হৈছেগৈ। বৰ্তমান অসমীয়া তিৰোতাই বোৱা বিহুৱানৰ ঠাই লৈছে মেছিনত তৈয়াৰী বহিৰাগত গামোচাই। এইক্ষেত্ৰত প্ৰতিবাদৰ সলনি ৰাজনৈতিক নেতাৰপৰা আৰম্ভ কৰি জাতীয় সংগঠন সমূহৰ বিষয়ববীয়া সকলৰ ডিঙিতো এনে চালানী গামোচাইহে দৃষ্টিকটুভাৱে শোভা বৰ্ধন কৰা দেখিবলৈ পোৱা যায়।

বিশ্বায়নৰ এই যুগতো যে আমি আমাৰ বাপতি সাহোন, সংস্কৃতিৰ জয় ধ্বজাবাহক বিহুটিক হিয়াৰ উমেৰে জীপাল কৰি উলহ-মালহেৰে পালন কৰি আহিছোঁ, সেয়া নিশ্চয়কৈ অতি গৌৰৱৰ কথা। কিন্তু এই কথাও আমি একমুখে স্বীকাৰ কৰিব লাগিব যে এই বিৰাট পৰিবৰ্ত্তনৰ সময়ছোৱাত আমাৰ হেঁপাহৰ বিহুটিৰ ৰূপো বহুল পৰিমাণে পৰিবৰ্তন হৈছে। অতীতৰ গছ-তলৰ বিহু আজি মঞ্চত উঠিলহি। ঘৰে ঘৰে হুঁচৰি গাই গৃহস্থক বছৰটো সুকলমে পাৰ হ'বলৈ আৰ্শীবাদ (এঘাৰপৃষ্ঠাত চাওক)

# আমাৰ যোৰহাট নগৰৰ অপৰাধ জগতৰ সঁচা কাহিনীৰে এখন উপন্যাস 'খলনায়ক'

অঞ্জু শাণ্ডিল্য




দুবছৰ আগতে 'ক'লা ল'ৰা'ৰ বিষয়ে সংবাদ মাধ্যম যোগে জানিব পাৰি আচৰিত হৈছিলো, আমাৰ যোৰহাট খনত এনেকুৱা কুখ্যাত, দাগী অপৰাধী আছেনে! কিন্তু আজিৰ পৰা ৬৫ বছৰৰ আগৰ যোৰহাটৰ অপৰাধ জগতৰ সঁচা কাহিনীৰে এখন উপন্যাস লিখি উলিয়াইছে এজন জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা অভিনেতাই। আৰু এইজন অভিনেতাই মাজে -সময়ে খলনায়কৰ চৰিত্ৰতো অভিনয় কৰি দৰ্শকক মুগ্ধ কৰে। সুন্দৰ চেহেৰাৰ, গুৰু-গম্ভীৰ কণ্ঠস্বৰ, গভীৰ চকুৰ চাৱনি আৰু যৌন-আবেদনযুক্ত সুদৰ্শন পুৰুষসুলভ শৰীৰৰ অধিকাৰী এজন অভিনেতা বহ যুৱতী-মহিলাৰ নয়নৰ মণি। সেইজন অভিনেতাই ৰচনা কৰা উপন্যাস খলনায়ক উন্মোচন হোৱাৰ পিছত অনুৰাগীসকলে উপন্যাস খন পঢ়িবলৈ অধীৰ হৈ পৰে। আৰু দেশ -বিদেশে থকা যোৰহাটৰ মানুহো উদগ্ৰীৱ হৈ পৰে, মৰমৰ যোৰহাট নগৰৰ কথা জানিবলৈ। মানুহ য'তেই নাথাকক শৈশৰৰ, কৈশোৰৰ, যৌৱনৰ দিনৰ যোৰহাট নগৰৰ কথা পাহৰিব নোৱাৰে। উপন্যাস খনৰ উন্মোচনী অনুষ্ঠানলৈ আমাক নিমন্ত্ৰণ কৰিছিল যদিও বিশেষ কাৰণত যাব পৰা নাছিলো। আৰু অভিনেতাজনে আমাক ঘৰলৈ আহি উপন্যাস খন পঢ়িবলৈ দিলে! আমাৰ আনন্দৰ, উলাহৰ সীমা নাই। আমাৰ যোৰহাটৰ অভিনেতাজন আমাৰ ঘৰলৈ আহিছে! ইমান ওচৰত পাইছো! তাতে আমিও যোৰহাটৰ। উপন্যাস খন হাতত লৈ ভাল লাগিল। যোৰহাটৰ কথা জানিবলৈ উৎসুক হৈ পৰিলো। ঘৰুৱা কাম-বনলৈ পিঠি দি উপন্যাস খন পঢ়িলো। পৃষ্ঠা পৃষ্ঠাই শিহৰণ জগোৱা ঘটনা, পৰিঘটনাৰ কথা পঢ়ি আপ্লুত হৈ পৰিলো। আৰু পঢ়ি উঠেয়েই লিখি পেলালো, এক অনুভৱ। পুথি পৰ্যালোচনা লিখিব পৰাকৈ আমি এতিয়াও নিজকে প্ৰস্তুত কৰিব পৰা নাই। এইজন অভিনেতা আন কোনো নহয়, ৫০ বছৰো অধিক সময় অভিনয় জগতৰ লগত জড়িত তৌফিক ৰহমান। ১৯৭৪ চনত চামেলী মেমচাব ছবিত অভিনয় কৰি অভিনয় জগতত খোজ পেলোৱা তৌফিক ৰহমানে চিনেমাৰ বাদেও থিয়েটাৰ, টিভি ধাৰাবাহিক, মঞ্চ আদিতো অভিনয় কৰি জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰি দৰ্শকৰ হিয়াত খোপনি পুতি বহি আছে । বহু ছবি ধাৰাবাহিকৰ চিত্ৰনাট্য ৰচনা কৰা অভিনেতাজনে ঔপন্যাসিকৰূপে আত্মপ্ৰকাশ কৰিছে। উপন্যাসখনৰ নায়ক বিল্লাল হুছেইনেও এই মিলা-প্ৰীতি অটুট ৰাখিছে। বিল্লালৰ স্কুলীয়া বন্ধু নাৰায়ণ পাছত বিল্লালৰ অপৰাধ জগতৰ সঙ্গী হৈ পৰে। আৰু বিল্লালৰ দেউতাকৰ মৃত্যুত মটৰ চাইকেল চলাই গোলাঘাটৰ মানুহক খবৰ দিছিল। জানাজাতো হিন্দুসকলৰ সহযোগিতা পাইছিল।''ৰহমতৰ জানাজা সম্পন্ন কৰা হ'ল। জানাজাত যথেষ্ট মানুহ হৈছিল। কাৰণ (বাৰপৃষ্ঠাত চাওক)

# ৰঙালী বিহু আৰু কিছু ইতিহাস

অলকা বুজৰ বৰুৱা, টিহু

অসমৰ ভৌগলিক পৰিসীমা অতিক্ৰম কৰি জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে ভাৰতৰ বিভিন্ন প্ৰান্তত অসমীয়া সকলে পালন কৰি অহা অন্যতম উৎসৱটোৰ নামেই হ'ল ৰঙালী বিহু।

অতীজৰে পৰা বৰলুইতৰ দুয়োপাৰে বসবাস কৰি অহা নানা জাতি জনগোষ্ঠীয়ে নিজ নিজ ৰীতি-নীতিৰ মাজেৰে বসন্তকালীন উৎসৱ ব'হাগ বিহু বা ৰঙালী বিহু পালন কৰি আহিছে। কৃষি সংস্কৃতিৰ আৰম্ভণিৰে পৰা এই উৎসৱ চলি আহিছে।এই বিহু সমন্বয়ৰ প্ৰতীক।



আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই কৃষিভিত্তিক উৎসৱ বিহুক পথাৰৰ পৰা ৰাজচৰালৈ লৈ গৈ ৰাজকীয় মৰ্যদা প্ৰদান কৰে। স্বৰ্গদেউ জনাই ডেকা গাভৰু সকলে পথাৰত গছৰ তলত বিহুগীত গাই নচাৰ কথা শুনি তেওঁ লোকক মতাই আনি আনুষ্ঠানিক ভাৱে বিহু উপভোগ কৰিবলৈ সুবিধা দি ৰজাঘৰীয়া স্বীকৃতিৰ পথ প্ৰশস্ত কৰিছিল। ১৭৪৬ খৃঃত ৰংঘৰৰ বাকৰিলৈ আদৰি অনা বিহুৱে ৰজাঘৰৰ পৃষ্ঠপোষকতাত ন ৰূপ লাভ কৰে।

১৯৫২ চনত ৰাধাগোবিন্দ বৰুৱাৰ প্ৰচেষ্টাত গুৱাহাটীৰ লতাশিলত প্ৰথমখন মঞ্চবিহু অনুষ্ঠিত হয়। পুৰুযোত্তম দাসে লিখি উলিয়াই বিহু উদ্বোধনী গীত। "শ্ৰী ময়ী অসমীৰ শীতল বুকুত উঠে উছৱৰ মধুৰ আলোড়ন"। পথাৰৰ বিহু, গছৰ তলৰ বিহুৱে বিৱৰ্তনৰ মাজেৰে এক নতুন ৰূপ পালে।

বসন্ত কাল প্ৰকৃতিৰ যৌৱনৰ সময়। এই কালতে ধৰিত্ৰীৰ গৰ্ভত আৰম্ভ হয় সৃষ্টিৰ সম্ভাৱনা। প্ৰাণে প্ৰাণে জাগি উঠে প্ৰেমৰ লহৰ। অপৰূপা সাজেৰে সাজি চঞ্চলা প্ৰকৃতি হৈ পৰে শস্য সম্ভৱা। ব'হাগ বিহুৰ আছে এক স্বকীয় ৰূপ আৰু তাৎপৰ্য। ইয়াৰ লগত জড়িত হৈ আছে বহুতো পৰম্পৰা আৰু লোকবিশ্বাস। বিহুৱান অসমীয়াৰ এবিধ অতি আদৰৰ সম্পদ। অসমীয়া শিপিনীৰ নিজহাতে তাঁতশালত বৈ উলিওৱা বিহুৱান খন অসমীয়াৰ স্বাভিমান। বিহুৱান বৈ উলিওৱাৰো কিছুমান নিয়ম আছে। যেনে চ'ত মাহত সূতাত মাৰ দিব নাপায়। সেয়েহে ফাগুনৰ মাহতে সূতাত মাৰ দি বাটি কাঢ়ি শালত কাপোৰ লগায়। আকৌ সাতবিহুৰ ভিতৰত জীয়ৰী বোৱাৰীয়ে শালত নবহে। বিহুৰ পিছলৈ শালত গামোচা থাকিলে বিহুচেৰা বুলি কোৱা হয় আৰু সেই কাপোৰ বিহুৱান হিচাপে লোৱা নহয়। তাঁতশাল আৰু বিহুৰ যেন এক অবিচ্ছেদ্য সম্পৰ্ক আছে। শিপিনীৰ তাঁতশালৰ খিটিক খিটিক শব্দ নুশুনিলে বিহু অহা যেনেই নালাগে।

গৰু বিহুৰ দিনা গৰুৰ গাত তেল, মাহ, হালধী সানি নদীত গা ধুওৱাতো ৰঙালী বিহুৰ আন এক প্ৰচলিত পৰম্পৰা। লাও-বেঙেনাৰ মালা পিন্ধাই গৰুক নতুন পঘাৰে বন্ধাতো এটা ৰীতি। তাৰোপৰি সন্ধিয়া দীঘলতী মাখিয়তীৰে ধোৱা দি বিচনীৰে বা দি হে মানুহে বিচনীৰ বা লোৱাতো নিয়ম। ৰঙালী বিহুৰ অবিচ্ছেদ্য অংগ বিহুগীত বোৰত বিশেষকৈ প্ৰেম ভালপোৱাৰ প্ৰকাশ আছে যদিও অসমীয়া সমাজৰ বহু ৰীতি নীতিৰ কথা, আ-অলংকাৰৰ নাম, অসমীয়া বাদ্যযন্ত্ৰ আদিৰ নামবোৰো এই গীত সমূহত সাঙোৰ খাই আছে। এইবোৰ অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। ৰজনীকান্ত বৰদলৈৰ "মিৰিজীয়ৰী" উপন্যাসত প্ৰথমবাৰৰ বাবে বিহু গীতৰ বৰ্ণনা পোৱা যায়। ইয়াৰ উপৰিও সাতবিহুৰ দিনা ঠাই বিশেষে সাতবিধ শাক আৰু ঠাই বিশেষে এশবিধ শাক লগ কৰি খোৱাৰ নিয়ম আছে। বিশ্বাস অনুসৰি ইয়াৰ ফলত বছৰটোলৈ ৰোগৰ পৰা হাত সাৰি থাকিব পাৰি। গৰু বিহুৰ দিনা সন্ধিয়া জীয়াৰী-বোৱাৰীয়ে হাত-ভৰিৰ আঙুলি, নখ আদিত জেতুকা লয়। জেতুকাৰ ৰঙে মানুহৰ চৰ্মৰোগৰ প্ৰতিৰোধ কৰে। এইবোৰৰ উপৰিও বিহুৰ আন এক অবিচ্ছেদ্য অংগ হ'ল হুচৰি। গাৱঁৰ ডেকা বুঢ়াই ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থক আৰ্শীবাদ দিয়ে। ব'হাগ বিহুত বিভিন্ন খেল ধেমালি কৰা হয় যদিওঁ এইবোৰৰ ভিতৰত কড়িখেল উল্লেখযোগ্য। কড়ি প্ৰজননৰ প্ৰতীক। জনবিশ্বাসমতে কড়ি খেলত কড়ি ফুটিলে পুৰুষ জনৰ ভাগ্য উদয় হয় আৰু অবিবাহিত পুৰুষৰ বিবাহৰ যোগ মিলে।

কিন্তু অতি পৰিতাপৰ বিষয়ে যে অতীতৰ পৰা চলি অহা ৰঙালী বিহুৰ লগত জড়িত এই পৰম্পৰাবোৰ বৰ্তমান বিলুপ্তিৰ পথত। আজিকালি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে মঞ্চত হে বিহু পালন কৰা হয়। আনকি অসমীয়াৰ স্বাভিমানৰ গামোচাখনৰ ঠাইও বাহিৰৰ গামোচাই দখল কৰিলে। এগৰাকী খাটি অসমীয়া হিছাপে ৰংধেমালিৰ লগতে ৰীতি-নীতি তথা পৰম্পৰা সমূহো জীয়াই ৰখা প্ৰয়োজন। তেতিয়াহে সঁচা অৰ্থত ব'হাগ বিহু জাতীয় উৎসৱ বুলি পৰিগণিত হ'ব। অন্যথাই ই অকল ৰং ধেমালিৰ উৎসৱ হে হ'ব।।

যোৱাখণ্ডৰ পৰা...

# ছ'ফি

'n'ক এই ধৰণৰ মৌলিক সংখ্যা (যাক জ'মেইন প্ৰাইম বুলি কোৱা হয) ৰূপে ধৰি লৈ an+ bn= cn সমীকৰণটোৰ কোনো সমাধান নাই বুলি ছ'ফিয়ে ভাবিলে। ছ'ফিয়ে গণিত জগতৰ সবাতোকৈ প্ৰসিদ্ধ নাম গাউছলৈ চিঠিও প্ৰেৰণ কৰিলে।

অতি বিনয়েৰে তেওঁ লিখিলে যে তেওঁৰ জিজ্ঞাসা অতি তীব্ৰ, কিন্তু তাৰ বাবে প্ৰয়োজনীয় বৌদ্ধিক গভীৰতা তেওঁৰ নাই। অন্যান্য পঢুৱৈসকলৰ দৰে তেওঁ গাউছৰ গভীৰ অনুৰাগী আৰু তাৰেই পৰিণতিত তেওঁ এই মহৎ প্ৰতিভাজনালৈ চিঠি লিখি তেওঁক আমনি কৰাৰ দৰে স্পৰ্ধা কৰিব পাৰিছে। তেতিয়ালৈকে গাউছে ছ'ফিৰ আচল পৰিচয় নেজানে। কাৰণ ছ'ফিয়ে চিঠি লিখিছে এজন পুৰুষৰ নামত। খিংখিঙিয়া মেজাজ আৰু নীৰস গাউছৰ উত্তৰ এই তৰুণ গণিতজ্ঞলৈ আছিল কিন্তু চেনেহৰে ভৰাঃ " গণিতে তোমাৰ মাজত এনে এজন সক্ষম বন্ধু আৱিষ্কাৰ কৰাৰ কথাটোৱে মোক আনন্দিত কৰিছে।" গাউছে যেতিয়া ছ'ফিৰ আচল পৰিচয় জানি উঠিল, তেওঁ পুনৰ এখন চিঠি লিখিলে য'ত ছ'ফিৰ মহৎ সাহস, অসাধাৰণ প্ৰতিভা আৰু ওপৰৰ পৰ্যায়ৰ জিনিয়াছক তেওঁ উচ্ছাসেৰে প্ৰশংসা কৰিলে।

১৮০৮ চনৰ আশে - পাশে গাউছ গটিনজেনৰ অধ্যাপকৰূপে নিযুক্ত হ'ল আৰু লাহে লাহে ছ'ফিৰ সৈতে তেওঁৰ যোগাযোগ কমি গ'ল। কিন্তু গাউছে ছ'ফিৰ প্ৰতিভা আৰু যুদ্ধৰ সময়ত ছ'ফিয়ে দেখুওৱা সাহস আৰু আন্তৰিকতাক পাহৰি নগ'ল।

ছ'ফি এইবাৰ পদাৰ্থ বিজ্ঞানৰ এটা বিশেষ সমস্যাত আগ্ৰহী হৈ উঠিল। সমস্যাটো হ'ল স্থিতি স্থাপক পদাৰ্থৰ কম্পনাংক সন্দৰ্ভত। ফ্ৰান্সৰ একাডেমীৰ সন্মুখত আৰ্নষ্ট শ্লাডনিয়ে আন্দোলিত এখন প্লেটত কিছুমান বালিৰ টুকুৰা সিঁচি দিছিল। এবিধ সঁজুলিৰে বালিখিনি সিঁচৰতি হৈ থকা প্লেটখনত কঁপনিৰ সৃষ্টি কৰা হৈছিল। ফলত বালিৰ টুকুৰাবোৰ এক বিশেষ ধৰণেৰে (pattern) প্লেটখনত বিয়পি পৰিছিল। আকৌ প্লেটখনত হাত দি কঁপনিৰ সৃষ্টি কৰিলে বালিৰ টুকুৰাবোৰে পুনৰ এক বেলেগ ধৰণ লৈছিল। সমস্যাটো আছিল এই বিশেষ ধৰণবোৰৰ আঁৰৰ গণিতক আৱিষ্কাৰ কথাটো। ই যে সহজ সমস্যা নহয়, সেয়া গণিতজ্ঞ সকলে বুজি পাইছিল। ইয়াৰ বাবে লাগ্ৰাঞ্জে গাণিতিক বিশ্লেষণৰ নতুন শাখা এটাৰে প্ৰয়োজন হ'ব বুলি তাৎপৰ্য মন্তব্য কৰিছিল। ১৮১১ চনৰ পৰা ১৮৩১ চনলৈকে ছ'ফিয়ে তিনিবাৰ এই সমস্যাটো সমাধানৰ বাবে গৱেষণা পত্ৰ লিখিছিল। তেওঁ আগবঢ়োৱা সমাধানৰ কৌশলক কোনো কৃতজ্ঞতা নজনোৱাকৈ পদাৰ্থ বিজ্ঞানী ছিমঁ ডেনিছ পয়চনে (১৭৮১-১৮৪০) নিজৰ সমাধানৰ ক্ষেত্ৰত সন্নিবিষ্ট কৰিছিল। কথাটোৱে ছ'ফিক দুখ দিছিল। যি কি নহওক, ছ'ফিৰ আংশিক কিন্তু গভীৰ অন্তৰ্দৃষ্টি সম্পন্ন সমাধানত মুগ্ধ হৈ ফ্ৰান্সৰ একাডেমীয়ে বঁটাও আগবঢ়ালে। কিন্তু, মহিলা হোৱা বাবে ছ'ফিয়ে এই বঁটা লাভৰ অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। উল্লেখ্য যে এই বঁটাৰ বাবে ৩০০০ হাজাৰ ফ্ৰাংকৰ সোণৰ পদক আগবঢ়াইছিল স্বয়ং সম্ৰাট নেপোলিয়নে। ১৮১৬ চনৰ ৮ জানুৱাৰীত ছ'ফিয়ে আগবঢ়োৱা গৱেষণা পত্ৰখনৰ বিজ্ঞানৰ ইতিহাসত এক বিশেষ ভূমিকা আছে। ছ'ফিয়ে এই সমস্যা সমাধানৰ বাবে আংশিক অৱকল সমীকৰণ বিচাৰি উলিয়াইছিল। তেওঁ বিখ্যাত গণিতজ্ঞ লিয়নাৰ্ড অয়লাৰৰ (১৭০৭-১৭৮৩) এটা আলোচনাৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিছিল। পৰৱৰ্তী সময়ত অৱশ্যে অয়লাৰৰ এই সমীকৰণটো ভুল বুলি প্ৰমাণিত হৈছিল। ইয়াৰ ফলত ছ'ফি জ'মেইনৰ আলোচনাতো খেলিমেলি লাগিছিল। ছ'ফিৰ চিন্তা - চৰ্চাৰ আঁত ধৰিয়ে পৰৱৰ্তী সময়ত গণিতজ্ঞ আগাষ্টিন লুই কচি (১৭৮৯-১৮৫৭) আৰু জাৰ্মান পদাৰ্থবিদ গুস্তাভ ৰবাৰ্ট কীৰ্শ্বফে (১৮২৪-১৮৮৭) স্থিতি স্থাপকতা তত্ত্বৰ ভেটি মজবুত কৰে।

জ্যোতি খাটনিয়াৰ



গণিতজ্ঞ গাউছৰ ছ'ফিৰ প্ৰতিভাৰ প্ৰতি বিশেষ সন্মান আৰু কৃতজ্ঞতা আছিল। তেওঁ গটিনজেন বিশ্ববিদ্যালয়ৰ পৰা ছ'ফিক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিবলৈ ঠিৰাং কৰিলে। কিন্তু ছ'ফিৰ সেই অনুষ্ঠানলৈ যোৱা নহ'ল। স্তন কেন্সাৰত ছ'ফিয়ে ১৮৩১ চনৰ ২৭ জুনত পৃথিৱীক বিদায় জনালে। কেৱল মহিলা হোৱাৰ বাবে তেওঁ মৰণতো বৈষম্যৰ সন্মুখীন হ'ল। ছ'ফিৰ মৃত্যুৰ সময়ত চৰকাৰীভাৱে লিখা হৈছিল 'a woman without a profession'। অৰ্থাৎ শেষ শয়নতো নিয়তিয়ে যেন তেওঁৰ বাবে অৱহেলাকে ৰাখিলে। চিন্তাৰ জগতলৈ অৱশ্যে বহুত পৰিবৰ্তন আহিল। কোনো ধৰণৰ আনুষ্ঠানিক গাণিতিক শিক্ষা নথকা ছ'ফিৰ নামৰ এতিয়া অতি সন্মানীয় বঁটা প্ৰদান কৰা হয়। ফ্ৰান্সৰ একাডেমী অফ চায়েন্সে, য'ত ছ'ফিক উপস্থিত হ'বলৈ দিয়া হোৱা নাছিল, সেই অনুষ্ঠানে ২০০৩ চনৰে পৰা ছ'ফিৰ নামত গণিতৰ জগতলৈ মৌলিক অৱদান আগবঢ়োৱা লোকক এই বঁটা প্ৰদান কৰি আহিছে। প্ৰথমটো বঁটা লাভ কৰিছে বিখ্যাত মহিলা গণিতজ্ঞ ক্লেয়াৰ ভয়জিনে। আন এগৰাকী বিখ্যাত মহিলা গণিতজ্ঞ ইজাবেল গেলেগাৰো এই বঁটাৰে সন্মানিত হৈছে।



# কবিতাৰ শিতান

## বহাগৰ ৰাতিপুৱা

**ৰঞ্জুলা শৰ্মা, গুৱাহাটী**

মলয়াই কঢ়িয়াই আনিলে ফুলৰ নিৰ্যাস,
গুটিমালি, খৰিকাজাঁইৰ কি যে সুবাস!
কামিনীকাঞ্চনৰ মন ভৰা সুৰভি
চম্পা, গধূলিগোপাল লগতে মাধৈমালতীৰ।
জাৰণিত ফুলিছে এজাৰ বেঙুনীয়া
তগৰ, নাহৰ হ'ল বহাগ মতলীয়া।
ফুলে ফুলে মৌ চুমে পাখিলাহি পখিলা।
গুণগুণ গান গায় কলিয়া ভোমোৰা।
ডাল ভৰি ফুলিছে লাহতী কপৌ
"বৌ কাকা ক'ত" বুলি কেতেকীজনীৰো ৰোল।
ইডাল সিডাল বগাই বুলবুলিৰ নাচোন!
আঁহতৰ আঁৰত বহি কুলিয়ে গাইছে গীত।
মন উৰণীয়া বহাগ বিনন্দীয়া
প্ৰকৃতিয়ে সজালে আহি বহাগৰ ৰাতিপুৱা।



## শীতৰে সেমেকা

**ৰাজলক্ষ্মী বৰঠাকুৰ, দেৰগাঁও**

স্বপ্ন বিভুৰ
এই মায়াবিনি নিশা...
মনে মোৰ বিচাৰে
বাৰে বাৰে কাষৰতে তোমাৰ
অবুজন মনে যে
নামানে বুজনি
শীতৰে সেমেকা
স্বপ্ন বিহুৰ
এই মায়াবিনি নিশা...
শৈশৱৰে ধেমালিতে
মই তোমাৰেই হ'ম
বুলি কোৱা কথাষাৰ
জানো চা
পাহৰি গ'লা
মই যে নোৱাৰো
পাহৰি যাব
হৃদয় মন্দিৰত
সযতনে ৰখা
তোমাৰেই ছবিটি
আশাৰে আছোঁ
বাটে চাই
জানো চা তুমি
উভতি আহা
শূণ্য পঁজাতি মোৰ
সুখেৰে উপচায় দিবা।

## বসন্ত

**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

অসমীয়া সকলৰ আয়ুস ৰেখা
মৰমৰ বহাগৰ বিহুটি আমাৰ।
ভালপোৱাৰ পৃথিৱীখনত হৃদয়ৰ বতৰা
বসন্তই কঢ়িয়াই জীৱনৰ বুনিয়াদ,
সংস্কৃতিৰ সৃষ্টি এয়া আমাৰ সমাজৰ বান্ধোন।
ৰিণিকি ৰিণিকি ভাহি অহা
পেঁপা-গগণাৰ সমধুৰ সুৰ
ঢুলীয়াৰ ঢোলৰ চাপৰত
গামোচাত ফুল বাচি থকা শিপিনীৰো
মাকো সৰি পৰে হাতৰ পৰা।
নাচনীৰ মন ৰাইজাই কৰে
নেঘেৰী খোপাত কপৌফুল গুজি দিয়ে
প্ৰিয়জনে-
সেই কাৰণে বসন্ত অনন্য।



## বহাগ মোৰ বৰ আপোন

**ৰীতা পাচনী, ৰঙিয়া**

কিচকিচিয়া ক'লা চুলিটাৰি মেলি
বাউলী হৈ অহা বৰদৈচিলা জনীয়ে
আগজাননী দিছিল বহাগ যে সমাগত,
কুলিৰ মৌমিঠা মাতে সৰগি সুষমাৰে
বহাগক আদৰিলে।
আমৰ মলিয়ে মিচিকি হাঁহিৰে
কঠালৰ মুছিক ক'লে,
এইয়া যে আমাৰ সপোন ফলিওৱাৰ বতৰ।
কপৌ, তগৰ, গুটিমালি, গোলাপ, জবা
নানা তৰহৰ ফুলেৰে সুশোভিত আজি ধৰা
কুলি, কেতেকী, ঘৰচিৰীকা, মইনাৰ মধুৰ গুঞ্জন।
ঢোলৰ গুমগুমনি, তালৰ খিতখিতনিত
ৰাইজাই অসমীয়াৰ মন।
বাপতি সাহোন ৰঙালী বিহুটি যে দুৱাৰমুখত,
হিৰ্ হিৰ্ গিৰ্ গিৰ্ মেঘৰ মাদল,
বছৰৰ প্ৰথম বৰষুণ জাকত গা টি তিয়াই
প্ৰকৃতিও সাজু নতুন ৰূপত,
এইয়া যে অংকুৰণৰ সময়
প্ৰকৃতিয়ে সেউজীয়া আৱৰণেৰে নিজকে সজোৱাৰ সময়।।



## বহাগী উৎসৱ

**এছ ইছলাম, শিক্ষক, বৰপেটা**

কুলিৰ কুউ কুউ মাতে
বসন্তৰ উৎসৱ আহে
গছে গছে ন ন কুঁহিপাত মেলে,
আমে মলিয়ালে
কঠালে পেলালে মুচি
সগৰ্ভা হ'ল প্ৰকৃতি আই।
ফাগুনীবায়ে আবিৰ ছটিয়াই
মলিয়ন কৰিছিল
এজাক বৰষুণে দুই পখালি
ফট্ ফটিয়া কৰিলে
বসুন্ধৰা আই হৈ পৰিল শুচি।
ডেকা-গাভৰুৰ উৰু উৰু মন
মুগাৰ ৰিহা-মেখলা চাদৰ
গাভৰুৱে কৰে পৰিধান
পেঁপা-ঢোলৰ মাতে নাচি উঠে মন
সেয়ে পাতোঁ ৰাগিৰ ৰঙালী বিহুখন।
বিহু মানে বসন্ত
বসন্ত মানে উতলা যৌৱন
যৌৱনে বিহুৰ আখৰা পাতে
বিহুৱে ৰিঙিয়াই মাতে
বিহু অসমীয়াৰ বাপতি সাহোন।

## কুঁহিপাত

**ছেলিমা বেগম, নগাঁও**

ব'হাগ মাহত গছৰ ডালত
কুঁহিপাতে হাঁহি মাৰে
তাকেই দেখিলে ভাল লাগে মন
আনন্দ হিয়া নধৰে।
কুঁহিপাত বৰ কুমলীয়া আগ
সেউজীয়া ৰং তাৰ
পৃথিৱী সেউজ কৰি ৰাখে হয়
নিয়ম যে জগতৰ।
কুঁহিপাতে পাতে পক্ষীৰ মাতত
বসন্তৰ আগমন
গছৰ ডালত পাতৰ আঁৰত
লুকাই গাইছে গান ।
কুউ কুউ বুলি বিহু বিহু লগে
দেহা ৰাইযাই কৰে
অতি চেনেহৰ বিহু টি নে পাতি
কেনে থাকোঁ এনেদৰে।
বিৰিখে পিন্ধিলে নতুন নতুন
কুঁহিপাতে মেৰিয়াই
ঋতু ৰাজ হাঁহি মাৰে বসন্তে
আহিছোঁ হে জপিয়াই।

# কবিতাৰ শিতান



## হেপাহৰ ৰঙালী বিহু

**মৃদুলা বৰুৱা, তেজপুৰ**

ফাগুন শেষ হ'ল
লঠঙা গছবোৰে অলংকাৰ পিন্ধলে
তাতে বহি প্ৰেমিক চৰাইজনীয়ে
বসন্তৰ বাতৰি দিছে
ফাগুন যোৱা বাটেৰেই হেনো
বসন্ত আহিছে
উৰুঙা মনক ৰাঙলী কৰিবলৈ।
শিপিনীৰ গাত ত'ত নাই
খৰকৈ মাৰিছে শালৰ মাকো
জেতুকা বুলিয়া দুহাতেৰে
মহুৰাৰ পাকত বচা
গুটি ফুলৰ গামোচাখন
চেনাইক দিবলৈ।
ঢোলৰ শব্দত
ৰছকি নাচনীৰ ককাল ভাগে
কেতিয়ানো প্ৰিয়জন আহি
খোপাত গুজি দিব কপৌপাহি
তালৈয়ে বাট চাই আছে।
আখলৰ ধোঁৱাত
তিল, গুৰৰ গোন্ধত
ৰঙালীৰ পৰশ লাগিছে।
গৃহস্থ ৰৈ আছে
উদং চোতাল খনি ভৰি
কেতিয়ানো আহিব হুঁচৰি
প্ৰাণৱন্ত কৰিব তুলিব
আমাৰ হেপাহৰ বিহু ৰঙালী।

## ব'হাগ

**জাহ্নৱী কাকতি**

সেউজী পাতৰ
আঁচল উৰুৱাই
জিলিকি উঠে ৰ'দৰ বাঁহী
মেঘৰ মাদল বাজে
পথাৰৰ সেউজীয়াত
নৱ জীৱনৰ ৰাগি...
তাঁতৰ শালত
মাকোৰ খট্ খট্
বতাহত বিয়পিছে
কপৌফুলীয়া সুবাস

## ব'হাগ অহাৰ আনন্দত

**লখিমী শৰ্মা, যোৰহাট**

ফাগুণে উৰুৱাই থৈ যোৱা ধূলিৰ পিছত
ৰঙত ৰাঙলী হৈ
আহিল আকৌ
ব'হাগৰ বহাগী,
ন ন কুঁহিপাতে পোখা মেলিলে
চৌদিশে থকা গছ - গছনিত ।
ফুলিব ধৰিলে চৌদিশে
নাহৰ, তগৰ আৰু কপৌ।
ব'হাগৰ বা লাগি
বিহুৰ কৰ্মশালাত
প্ৰাণ ভৰি নাচিবলৈ,
আগবাঢ়ি আহিল
ব'হাগৰ নাচনী,
দুহাতত লগাই জেতুকা।
ঘৰে ঘৰে পিঠা - পনা, জা - জলপান
খুন্দাত ব্যস্ত হ'ল,
গাঁৱৰ ৰূপহী জীয়াৰী, আৰু বোৱাৰী
ঢোল, পেঁপাৰ মাতত
চৌদিশ ৰজনজনাই উঠিল
মনবোৰ হ'ল থৌকি বাথৌ।
আনন্দত আত্মহাৰা হ'ল আজি
সকলো জনগণ।
প্ৰস্তুতি চলিছে মাথোঁ
ব'হাগৰ বিহুটিক আদৰিবলৈ বুলি
ঘৰে ঘৰে হুচৰি, আৰু পিঠা - পনাৰ জুতি।
নিয়ম - নীতিৰে পালন কৰে
ব'হাগৰ বিহুৰ ক্ষণত।

## অনুভৱত বসন্ত

**মৃদুস্মিতা শৰ্মা, বোকাখাত**

বসন্তৰ প্ৰথমজাক বৰষুণৰ পৰশে
সেউজ- সতেজ কৰিলে
ধূসৰিত প্ৰকৃতিক,
কুঁহিপাতত সেউজীয়া সানিলে
বসন্ত ৰাণীয়ে
এতিয়া আৰু চৌদিশে নাইকিয়া হ'ল
শুকান পাতৰ খচ মচনী,
যেন ৰুক্ষতা নেওচি কোমলতা
শুষ্কতা আঁতৰাই সজীৱতা চৌদিশে।
বৰষুণৰ ৰিমঝিমে শুকান পাতবোৰতো
যেন প্ৰাণ সঞ্চাৰিলে
অন্তৰংগ আলাপেৰে যেন
একাত্ম হৈ
মাটিক উৰ্বৰ কৰাৰ প্ৰেমময় কৰ্ষণ
সেউজ ৰচনাৰ ঐকান্তিক অনুৰণন।
এতিয়া নাই বতাহৰ কোবাল গতি
নাই ধূলিয়ৰি আমনি
আছে মাথো নয়ন জুৰোৱা
সেউজীয়াৰ বেষ্টনী
লহপহীয়া বহাগৰ প্ৰকৃতি,
ন সাজৰে সেউজ সজীৱ!
মন ভৰি যোৱা ন- প্ৰকৃতি।

## ব'হাগলৈ এখন চিঠি

**আয়নাল হক, ধুবুৰী**

ব'হাগ, তই আহিবি
অপেক্ষাত আছোঁ
তোক সাদৰেৰে আদৰিবলৈ।
ঢোলে-দগৰে, পেঁপাৰ মন-মোহিনী মাতেৰে
নাচনীৰ খামুচীয়া কঁকালত
বিহু নাচৰ অনন্য লহমাৰে
তোক আদৰিম
বৰ-পীৰা পাৰিয়... !
ডালত কপৌফুল ফুলিলেই
তোৰ আগমনৰ বতৰা পাই।
পিছে, বৰদৈচিলাজনীক বাৰু
কিয় আনিছ তোৰ লগত ?
বৰ উতনুৱা তাই!
মনৰ বেগত
কেনেকৈ বাউলী হৈ আহি
সকলো তচ্ নচ্ কৰি যায় নিমিষতে... ।
ব'হাগ,
বসন্তৰ পৰশত সু-সজ্জিত হৈ উঠা
প্ৰকৃতিৰ ভূৱন-ভোলোৱা ৰূপৰ মাধুৰী পান কৰিবলৈ
তই আহিবি কুলিৰ মিঠা-মাতত
শিপিনীৰ হাতৰ বিহুৱানৰ পৰশত
অসমীয়াৰ স্বাভিমান ৰখাৰ আকলুৱা আদৰত।



# বিহুৰ নষ্টালজিক দিনবোৰৰ জখলা বগাই...



**সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ**

আমি উৎসৱ প্ৰিয় লোক। উৎসৱে আমাৰ দেহ-মন আনন্দত দোলায়িত কৰে। তাতে আমাৰ জাতীয় উৎসৱ "বিহু" বুলিলে আমি এনেই উন্মাদ। প্ৰকৃতিও ইয়াৰ আগমনৰ বতৰা দিয়ে, বসন্ত মানেই আশা, সপোনৰ কুঁহিপাত মেলা ঋতু। যাক ঋতুৰ ৰজা বোলা হয়। ইয়াৰ আগমনৰ লগে লগে কুলি-কেতেকীৰ সন্তুষ্টিদায়ক মাতবোৰে মন উতলা কৰে। তগৰ, মালতী, কপৌফুলৰ অপাৰ সৌন্দৰ্যই মন আকৰ্ষণ কৰে। প্ৰকৃতিয়ে সাজি-কাচি শ্যামলী বসন পৰিধান কৰে। এক বিনন্দীয়া পৰিবেশৰ সৃষ্টি কৰে আৰু লগত লৈ আহে আমাৰ লোক-সংস্কৃতিৰ বৰঘৰ চহকী কৰা হেঁপাহৰ ৰঙালী বিহুটিক। অসমীয়াৰ প্ৰাণ বিহু মূলত কৃষিভিত্তিক উৎসৱ। অসমীয়া সমাজ জীৱনৰ লগত ই অংগাংগিভাৱে জড়িত। বিহু তিনিটা, তাৰ ভিতৰত বসন্তকালত পালন কৰা ৰং-ৰহৈচ, আনন্দ- উপভোগৰ বাবে ব'হাগ বিহুক ৰঙালী বিহু বুলি কোৱা হয়। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ ৰাজত্বকালৰ পৰাই আমাৰ বাপতিসাহোন বিহুৱে আনুষ্ঠানিক মৰ্যাদা লাভ কৰে। ৰঙালী মানেই আনন্দৰ জোৱাৰ। এই সময়ছোৱাত ঢোল- পেঁপাৰ মাতে চৌপাশ মুখৰিত কৰে। ডেকা-গাভৰুৰ মনত প্ৰেমভাৱৰ উদ্ৰেক ঘটায়। বৃদ্ধাৰ মনো যৌৱনলৈ উৰা মাৰে। জেতুকাৰ ৰক্তিম বৰণে গাভৰুসকলৰ হাতৰ জেউতি বঢ়ায়। গাভৰুসকলে অক্লান্ত পৰি। মেৰে বই উলিওৱা মৰম তথা সন্মানৰ প্ৰতীক বিহুৱানখন লৈ চেনাইলৈ বাট চাই থাকে।

কিন্তু বৰ্তমান সময়ত বলা পৰিৱৰ্তনৰ বতাহজাকে আমাৰ সভ্যতা-সংস্কৃতিকো চুই গৈছে। আগৰ বিহু আৰু এতিয়াৰ বিহুত যেন আকাশ-পাতাল পাৰ্থক্য। আধুনিক সমাজৰ অত্যাধুনিক এচাম লোকৰ বাবে যেন বিহু, বিহু হৈ থকা নাই। কিছু বছৰ আগতে ঢোল-পেঁপাৰ মাতে মন - প্ৰাণ পুলকিত কৰিছিল, এতিয়া মাথোঁ কৰ্ণগোচৰ হয় ৰক এডিটৰ ৰিমিক্স বিহু গীত । জানমণি, জোনমণিৰ দিনৰ প্ৰাণ আপ্লুত কৰা এলবামৰ গীতবোৰ কেৱল স্মৃতিৰ ৰহঘৰাতহে দোলা দিয়ে। "নদী বাঢ়িলে অ'..... উজান উঠিলে অ' " .., "নীলা নীলা আখৰে ...", " কিনো চাৱনিৰে চালা মোক ঐ...", " ফুল ফুলিছে বসন্তৰ তুমি জানমণি ব'হাগত..." ইত্যাদি গীতবোৰে কাৰনো মনাকৰ্ষণ কৰা নাছিল! এইবোৰ বৰ্তমান অতীত হৈ গ'ল। তেনেধৰণৰ নতুন গীতো শুনিবলৈ পোৱা নাযায়।

সেয়েহে বৰ্তমান মনে ল'ৰালিৰ বিহুলৈ উৰা মাৰে। এই যে বিহুৰ প্ৰথম দিনাই হাতত সৰু ঢোল, বাঁহেৰে অনায়েসে তৈয়াৰ কৰি লোৱা টকা, মোনা এখন লৈ মূৰত গামোচাখন মেৰিয়াই চাৰি - পাঁচজনীয়া দল হৈ ঘৰে-ঘৰে গৈ বিহু মৰা দিনবোৰ সঁচাই মধুৰ আছিল! এটকা-দুটকা খুচুৰা পইচাই মোনাৰ তলত ঝনঝনাই কৰা শব্দবোৰ উফ্! কি যে সুখৰ মুহূৰ্ত আছিল। শেষৰ দিনা নাচি পোৱা পইচাবোৰ ভগাই লৈ, মেলা চাবলৈ যোৱা আৰু পোৱা চাউলখিনিৰে সকলোৰে মিলি ভোজ খোৱা দিনবোৰ কেৱল স্মৃতিৰ গৰাহত লীন গ'ল।

বৰ্তমান সময়ত আমি অভিভাৱকসকল যেন কিছু ক্ষেত্ৰত স্বাৰ্থপৰ হৈ উঠিছো, ল'ৰা-ছোৱালীক স্বতঃস্ফূৰ্তভাৱে আনন্দ কৰাত ক্ষেত্ৰত বাধা হৈ উঠিছো আমিয়েই। প্ৰতিযোগী মনোভাৱ গঢ়ি তোলাতহে যেন ব্যস্ত হৈ পৰিছো। প্ৰতিযোগিতাৰ প্ৰতি আগ্ৰহ থকা ভাল, সেই বুলি সকলো ক্ষেত্ৰতে ইয়াৰ গ্ৰহণযোগ্যতা সমীচিন নহয়। ডাঙৰ-ডাঙৰ মঞ্চত আকৰ্ষণীয় বঁটা থকা প্ৰতিযোগিতাবোৰতহে অংশগ্ৰহণ কৰিবলৈ ল'ৰা-ছোৱালীৰ অনীহা সত্বেও বাধ্য কৰোৱা দৃষ্টিগোচৰ হয়। সাম্প্ৰতিক যুগটোৱে যেন প্ৰতিযোগিতাৰ যুগ। যান্ত্ৰিকতাৰ পাকচক্ৰত আমি কেৱল স্বাৰ্থ থকা দিশবোৰকহে গুৰুত্ব দিও! সেয়ে প্ৰকৃত আনন্দ উপভোগত আমি পিছ পৰি আছো। আমি হাঁহিব লাগে হাঁহিছো কিন্তু মন খুলি নহয়...! আগত যেতিয়া আধুনিকতাৰ বৰমালা পৰিধান কৰা নাছিলোঁ তেতিয়া বিহুৰ আনন্দ উপভোগ কৰাৰ নিষ্ণাত আছিলোঁ।

আজিকালিৰ বিহুত আগৰ প্ৰাণ নাই, স্বতঃস্ফূৰ্ত আনন্দৰ ঠাই কাঢ়ি ল'লে এচাম আধুনিক বিহুবলীয়া ৰাইজে। পৰম্পৰাগতভাৱে বিহু উদযাপনৰ বিপৰীতে লাখ - লাখ টকা ব্যয় কৰি মঞ্চ আকৰ্ষণ কৰা, নিজৰ পৰম্পৰাগত গীত-বাজনাৰ পৰিৱৰ্তে আল্ট্ৰা চাউণ্ড থকা আধুনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰে এক অপসংস্কৃতিৰ সৃষ্টি হৈছে । চৌপাশে মঞ্চ সজাৰ যেন অঘোষিত প্ৰতিযোগিতা পতাতহে মত্ত হৈছে আধুনিক বিহুবলীয়া সমাজ! তাৰোপৰি পৰম্পৰাগত সাজ-পোছাকৰ বিপৰীতে এচাম নৰ- নাৰীয়ে বৰ্তমান আমাৰ সমাজত বিহুৰ দিনাও আধুনিক সাজ- পোছাকহে পৰিধান কৰা দেখা যায় । আধুনিক ট্ৰেণ্ডহে আগস্থান পোৱা দেখা যায় ।

এনেকুৱা পৰিৱৰ্তনৰ সোঁতে আমাৰ পৰম্পৰাগত কলা-সংস্কৃতিবোৰ উটুৱাই নিলে, আমি স্বকীয় গুণ-গৰিমাৰ সোণোৱালী ধ্বজ্জাবাহক বিহুক যেন নিজ হাতে সংকটৰ দিশে ঠেলি দিলো। একালত আমাৰ অস্তিত্বই ঠাই পাব কেৱল ইতিহাসৰ স্বৰ্ণপৃষ্ঠাত! সাম্প্ৰতিক প্ৰেক্ষাপটত বিহু নাচে গোটেই দেশৰ লগত সংযোগ স্থাপন কৰিব পৰা এক মাধ্যম হৈ পৰিছে আনকি বিশ্ব অভিলেখ গঢ়াৰ ক্ষেত্ৰতো ইয়াৰ গুৰুত্ব অপৰিসীম। আমাৰ বিহু নাচে ইতিমধ্যেই গুৱাহাটীস্থিত সৰুসজাই ষ্টেডিয়ামত ১১,১০৪ নাচনী-ঢুলীয়াই বিহু প্ৰদৰ্শন কৰি গিনিজ বুক অফ ৱৰ্ল্ড ৰেকৰ্ডছত অসমৰ নাম অন্তৰ্ভুক্ত কৰাত সক্ষম হৈছে। যি বিশ্ব অভিলেখ স্থাপন কৰিছে সেয়া আমাৰ বাবে গৌৰৱৰ বিষয়। সেয়েহে আমি আমাৰ প্ৰাণ, আমাৰ আৱেগ, আমাৰ গৌৰৱ বিহুক চিৰযুগমীয়া কৰি ৰাখিবলৈ হ'লে এতিয়াৰ পৰাই সচেতনতা অৱলম্বন কৰাটো জৰুৰী। আধুনিকতাৰ ধামখুমীয়াত ইয়াৰ অস্তিত্ব কোনো কালেও মোলান নপৰাৰ বাবে প্ৰত্যেকজন লোকেই কাণ থিয় কৰা উচিত । সি যি কি নহওক বিহু যিহেতু আমাৰ চোতাল পালেই সেয়েহে সমূহ অসমবাসী ৰাইজলৈ ঐকান্তিক কামনাৰে ৰঙালী বিহুৰ লগতে আগন্তুক অসমীয়া নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনালোঁ, ৰঙালীৰ ৰঙেৰে ৰঙীন হৈ পৰক সকলোৰে জীৱন ।

# গৰু বিহু

**সত্যজিৎ গগৈ, কলিয়াবৰ**

পুৱা সোনকালে উঠি মুখখন ধুই আগদিনাই চাঁচি থোৱা বাঁহৰ চাক কেইডালত লাও, বেঙেনা, কেৰেলা, থেকেৰা আদি শিঙি লোৱা হয়। লগতে মাখিয়তীৰ ডাল কেইটামান আনি চালনী এখনত আগলি কলপাতৰ ওপৰতে ধুনীয়াকৈ সঁজাই লোৱা হয়। তাৰ পিচত ৰাতিয়ে তিয়াই থোৱা মাটিমাহৰ সৈতে কেঁচা হালধি পিচি আনি মিঠাতেল অলপ ঢালি লৈ গোহালিৰ গৰু কেইটাৰ কপালত ফুট দি গোটেই



গাটোতে সানি দিয়া হয়। তাৰ পিচত মাখিয়তী পাতেৰে মহ-মাখিবোৰ খেদোৱা হয়। তাৰ পিচত ওচৰ চুবুৰীয়াৰ সৈতে নিজৰ নিজৰ গৰুবোৰ লৈ গা ধুৱাবলৈ পথাৰলৈ লৈ যোৱা হয়। কোনোৱে আকৌ বাল্টি, লাহনী আদিও লৈ যায়। গৰুক গা ধুৱাবৰ সুবিধাৰ বাবে। পথাৰলৈ গৰুবোৰ নিওঁতে চাৰিওফালে মানুহবোৰ ৰৈ মাজে মাজে গৰুবোৰক যাবলৈ দিয়া সেই দৃশ্যটো চাই বৰ ভাল লাগে। পথাৰ পোৱাৰ লগে লগেই সকলোৱে জয় ধ্বনি দি "লাও খা, বেঙেনা খা, বছৰি বছৰি বাঢ়ি যা, মাৰে সৰু বাপেৰে সৰু, তই হ'বি বৰ গৰু" বুলি কৈ গৰুৰ গালৈ চাকৰ পৰা লাও, বেঙেনাবোৰ দলিয়াবলৈ ধৰে। মাজে মাজে গৰুৰ গাৰ বিপৰীতে ধেমালিতে ইটোৱে সিটোৰ গালৈও দলিয়াই আনন্দ কৰে। গা ধুৱাই শেষ হোৱাত হালোৱা গৰু কেইটাক গোহালিত বন্ধা পুৰণি ৰছীডাল হালোৱা এচাৰি ডালতে মেৰিয়াই গৰুৰ ভৰিৰ তলেৰে দলিয়াই দিয়াৰ নিয়মো পালন কৰা হয়। পথাৰৰ পৰা গৰু গা ধুৱাই আহোতে ইজনে সিজনৰ সৈতে চাকবোৰ সাল-সলনি কৰি লয়। ইও এক নিয়ম। তাৰ পিচত ঘৰলৈ আহি বাৰীৰ গছত ওলমি থকা আমৰলি পৰুৱাৰ বাঁহ কেইটা ভাঙি তাৰ পৰা টোপবোৰ উলিয়াই লৈ ৰান্ধি খোৱা হয়। বহাগ বিহুত আমৰলি পৰুৱাৰ টোপ খালে এশ এবিধ শাক খোৱাৰ দৰে হয় বুলি জন সমাজত বিশ্বাস আছে। ঘৰৰ মূল ৰান্ধনি গৰাকীয়ে বাৰীৰ চুকে কোণে এশ এবিধ শাক বিচাৰি চলাথ কৰে। সেইদিনা এশ এবিধ শাক একেলগে ৰান্ধি খোৱাৰ নিয়ম। তাৰ পিচতে মাহ-হালধিৰে গা-পা ধুই কণী যুঁজ কৰাৰ নিয়মো ঠায়ে ঠায়ে আছে। প্ৰথমে ঘৰৰ সদস্য সকলৰ লগতেই যুঁজাই লৈ পৰৱৰ্তী সময়ত লগ-সমনীয়াৰ সৈতেও কণীৰ যুঁজ কৰা হয়। কণী যুঁজৰ ওপৰিও লোকেল কুকুৰাৰ কণীৰ কুহুম কেঁচাকৈ গিলি খোৱাৰো নিয়মো বহু সমাজত আছে। তাৰ পিচত সকলোৱে মজিয়াশালীত ওপৰি পুৰুষক স্মৰণ কৰি তেওঁলোকে ভালপোৱা ধৰণে বন্তি জ্বলাই জলপান অথবা পুৱা মাংস, সাজ আদি দিশচঠাই ভেদে বেলেগ বেলেগ নিয়মঞ্চ সেৱা কৰে। তাৰ পিচতহে খোৱা-বোৱাৰ পৰ্ব আৰম্ভ হয়। এই নিয়মবোৰত যে কেৱল সামাজিক বিশ্বাসেই জড়িত আছে। এনে নহয়। ইয়াৰ লগত বৈজ্ঞানিক দৃষ্টিও মন কৰিবলগীয়া! এইদৰে নিয়ম সমূহক ধৰি ৰাখিব পৰাটোও আজিৰ দিনত বৰ সাহসৰ কথা। অৱশ্যে সকলোৱে এইধৰণৰ কৰ্ম কৰিবলৈ সাহসো নকৰে। ইচ্ছাও নকৰে। আজিকালি গৰু বিহু পালন কৰিবলৈ মানুহৰ ঘৰত গৰুৱে নাই। তাৰ স্থান টেক্টৰে ললে। এতিয়া আগৰ দৰে গৰু বিহুৰ নিয়ম সমূহো নোহোৱা হৈছে। নগৰ অঞ্চলত ৰাস্তাত ঘূৰি ফুৰা গৰুক পদুলিত ৰখাই মটৰ চলাইও গৰু বিহু পালন কৰা দেখা যায়। ইয়েই গৰু বিহুক বিকৃত কৰা যেন অনুমান হয়। যিসকলে প্ৰকৃততে গৰু বিহুৰ মূল বুজে। তেওঁলোকেহে এই সমূহ নিয়মৰ মাজেৰে গৰু বিহুক উদযাপন কৰা দেখা যায়।

# বাপতি-সাহোন ৰঙালী বিহু

ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়



অতিকৈ চেনেহৰ মুগাৰে মহুৰা,
তাতোকৈ চেনেহৰ মাকোঁ;
তাতোকৈ চেনেহৰ ৰঙালী বিহুটি,
নেপাতি কেনেকৈ থাকো।

কুলিটিয়ে বসন্তৰ জাননী দিবলৈ গছৰ ডালত বহি কুউ-কুউ কৰি সুৱদি কণ্ঠেৰে গীত জুৰিছে। ঘৰৰ আগফালে ফুলি থকা কপৌফুল পাহে নাচনীৰ খোপা কেনেকৈ শুভাবৰ্দ্ধন কৰিব তাৰে ক্ষণ গণিছে। চাৰিওফালৰ ঢোলৰ গুমগুমনিত নাচনীয়ে হালি-জালি নাচি বিহুৰ আখৰাত ব্যস্ত হৈ পৰিছে। গাঁৱৰ ঘৰে-ঘৰে ঢেঁকীৰ চাপৰত চিৰা, সান্দহ, পিঠাই প্ৰাণ পাই উঠিছে। বোৱাৰী-জীয়ৰী সকলোৱে পিঠা-পনা বনোৱাৰ লগতে তাঁতশালৰ গামোচাখন সোনকালে শেষ কৰাৰো প্ৰস্তুতি চলাইছে। ৰঙালী বুলি ক'লে মন প্ৰাণ ৰঙেৰে উপচি পৰাৰ লগতে নতুনক আদৰিবলৈও যো-জা চলোৱা হয়।

অসমীয়া বৰ্ষপঞ্জীৰ প্ৰথম মাহ ব'হাগ। তদুপৰি এই মাহতে ব'হাগ বিহু অৰ্থাৎ ৰঙালী বিহু পালন কৰা হয়। চ'তৰ শেষ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। এক ব'হাগ দিনা মানুহ বিহু পালন কৰা হয়। গৰু বিহুৰ দিনাৰ পৰাই সাত বিহু পালন কৰা হয়। এই বিহু কেইটা ক্ৰমান্বয়ে গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বা চেনেহী বিহু আৰু চেৰা বিহু।

আনহাতে কিছু ব্যক্তিয়ে ব'হাগ বিহুৰ এই সাত বিহুক তলত দিয়াৰ ধৰণে ভাগ কৰিছে- চ'ত বিহু, ৰাতি বিহু, গৰু বিহু, মানুহ বিহু বা চেনেহী বিহু, কুটুম বিহু, মেলা বিহু, চেৰা বিহু বা এৰা বিহু। গৰু বিহুৰ আগদিনা উৰুকা বুলি কোৱা হয়। উৰুকাৰ ৰাতি ঘৰে-ঘৰে বাঁহেৰে তৈয়াৰ কৰা চাটত লাও, বেঙেনা, থেকেৰা, হালধি আদি সিয়ে আৰু খৰাহি বা এখন ডলা লৈ মাখিয়তীৰে সৈতে সজাই থয়। পিছদিনা অৰ্থাৎ গৰু বিহুৰ দিনা পুৱাতে উঠি গৰুক নদীৰ পাৰত গা ধুৱাবলৈ নিয়ে। যিহেতু সকলো ঠাইত নদী ওচৰত পোৱা নাযায়, সেয়েহে ওচৰৰে পানী থকা ঠাইতে গৰুক গা ধুওৱা হয়। গৰুক গা ধুৱাবলৈ মাহ-হালধি, লাহনী ব্যৱহাৰ কৰা হয়। চাটত সিয়া লাও, বেঙেনাবোৰ দলিয়াওঁতে গোৱা হয়-

দীঘলতি দীঘল পাত
মাখি মাৰো জাত জাত
মাৰে সৰু বাপেৰে সৰু
তই হ'বি বৰ বৰ গৰু।

পৰিয়ালবৰ্গৰ লগতে গৃহস্থয়ো গৰুবোৰ গত লগাই মাহ-হালধিৰে গা-পা ধুৱে, বছৰটোলৈ যাতে খৰ-খজুৰতিয়ে গাত থিতাপি ল'ব নোৱাৰে। সেইদিনটোতেই কণী যুঁজ খেলা হয়। অতীতত যদিও আহোম যুগত আৰম্ভণি হোৱা বহুতো খেল অনুষ্ঠিত হৈছিল, বৰ্তমান সময়ত কণী যুঁজ খেলহে দেখিবলৈ পোৱা যায়। গৰু বিহুৰ দিনাই সন্ধিয়ালৈ গৰুক তৰা পঘাৰে বান্ধি কলপাতত সজাই নিমখ পিঠা খুওৱা হয়। ঘৰৰ চাৰিওফালে মহ-ডাহ বোৰ কমিবৰ বাবে জাক দিয়া হয়। জাক দিওতে ব্যৱহাৰ কৰা হয় তুঁহ গুড়ি, ভাঙ গছ, দীঘলতি, মাখিয়তী, তংলতি, বচ, যিকোনো কাঁইট গছ আদি। ঘৰৰ দৰ্জা, খিৰিকী আদিতো দীঘলতি, বচ আৰি দিয়া হয়। ঘৰত কোনো বেয়া বস্তুৱে থিতাপি ল'ব নোৱাৰাকৈ এটা পাত্ৰত পিঠাগুড়িৰ লগত বচ আৰু নহৰু পিহি পানী মিহলাই ভিতৰৰ পৰা বাহিৰলৈ চাৰিওকাষে ছটিওৱা হয়। পহিলা ব'হাগৰ দিনা অৰ্থাৎ মানুহ বিহুৰ দিনা প্ৰত্যেকে নামঘৰত চাকি জ্বলাইগৈ বছৰটো যাতে কুশলে পাৰ কৰিব পাৰে। সেইদিনটোতেই কনিষ্ঠজনে জ্যেষ্ঠজনৰ চৰণ চুই আশীৰ্বাদ লয়, আৰু বিহুৱান যাচে। মানুহ বিহুৰ দিনাৰ পৰাই সৰুৰ পৰা ডাঙৰলৈ সকলোৱে ঘৰে-ঘৰে হুঁচৰি গায়। আৰু সেইদিনটোৰ পৰাই গছতলৰ বিহু আৰম্ভ কৰে। ঠিক তেনেকৈয়ে গোঁসাই বিহু, তাঁতৰ বিহু আদি বিহু বোৰো নীতি-নিয়ম অনুযায়ী পালন কৰা হয়।

অসমৰ জাতীয় উৎসৱ বিহু কৃষিভিত্তিক উৎসৱ। প্ৰতিটো বিহুৱে খেতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। ব'হাগ বিহু বা ৰঙালী বিহু খেতিৰ আৰম্ভণিতে পালন কৰা হয়, কাতি বিহু বা কঙালী বিহু খেতিৰ বাঢ়নী সময়ত পালন কৰা হয় আৰু মাঘ বিহু বা ভোগালী বিহু খেতি চপোৱাৰ শেষত পালন কৰা হয়। প্ৰতিটো বিহুতে কম পৰিমাণে হ'লেও খেল অনুষ্ঠিত কৰা হয়। যিহেতু বিহুৰ লগত খেলৰো সম্বন্ধ আছে।

ব'হাগ বিহুক যিহেতু ৰঙালী বিহু বুলি কোৱা হয় সকলোৱে এই বিহুত নাচি-বাগি স্ফূৰ্তি কৰে। এই বিহুতে চেনাই ধনক কান্ধত বিহুৱান পিন্ধায়ো গাভৰুসকলে আনন্দ উপভোগ কৰে।

# বিহুৰ ঐতিহ্য আৰু পৰম্পৰা

দিয়াৰ যি পৰম্পৰা প্ৰচলিত হৈ আহিছিল, বৰ্তমান সি প্ৰায় মৃতপ্ৰায় অৱস্থা বুলি ক'লেও ভুল কোৱা নহয়। চহৰ অঞ্চলৰ কথা বাদেই, অসমীয়াৰ প্ৰাণস্বৰূপ গাঁওবিলাকতো এই পৰম্পৰা লোপ পোৱা দেখা গৈছে। বৰ্তমান যুগ প্ৰতিযোগিতাৰ যুগ, আৰু আমাৰ অসমীয়াৰ জাউতিযুগীয়া পৰম্পৰাও প্ৰতিযোগিতাৰ কবলত পৰি নিঃশেষ হৈ যাব ধৰিছে। গোলকীকৰণৰ ধুমুহাই হওক বা নৱ প্ৰজন্মৰ মানসিকতাৰ পৰিবৰ্তনৰ ফলতেই হওক, বিহুৰ কিছুমান পৰিবৰ্তন জাতিটোৰ বাবে শুভকাৰক বুলি কোনোপধ্যেই মানি ল'ব নোৱাৰি।

গছতলৰ বিহু আহি মঞ্চ পোৱাৰ সমান্তৰালকৈ বিহুত নতুন নতুন সংযোজন ঘটি আছে। হুঁচৰি প্ৰতিযোগিতা, বিহু কুঁৱৰী, মৌ কুঁৱৰী, বৰ বিহুৱতী, বিহু ৰাণী, ঢোলবাদন, পেঁপাবাদন, আদি নানান প্ৰতিযোগিতাৰ মাধ্যমেৰে বিহুক জনমানসত জনপ্ৰিয় কৰাৰ চেষ্টা চলাই আছে যদিও, মনত এটা সন্দেহ জন্ম লৈছে যে বিহুৰ এই বিবৰ্তন অনাগত ভৱিষ্যতত বিৰূপ প্ৰভাৱ পেলাব। কাৰণ মঞ্চ বিহুৰ পাছত বিহুক পৰম্পৰাৰ পৰিবৰ্তে তীব্ৰ বাণিজ্যিকীকৰণ কৰা হে বেছি অনুভৱ হৈছে। সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰি বহিৰাগত শিল্পীক আমন্ত্ৰণ কৰি লক্ষ লক্ষ টকাৰ যি বেহা চলে, সেয়া সকলোৰে জ্ঞাত। আগতে ব'হাগ বিহুত প্ৰতিঘৰ মানুহৰ চোতালত হুঁচৰিৰ ৰাইজৰ পদধূলা পৰিব লাগে বুলি বিশ্বাস কৰি ধনী -দুখীয়া নিৰ্বিশেষে সকলোৰে ঘৰত হুঁচৰি গাই ৰাইজে গৃহস্থক আৰ্শীবাদ দিয়ে। গৃহস্থৰ মংগল কামনা কৰি দিয়া আৰ্শীবাদত প্ৰত্যেকঘৰ মানুহৰ বাবে মৰম-চেনেহ আৰু দায়বদ্ধতা প্ৰকাশ পায়। কিন্তু বৰ্তমানে মোটা অংকৰ মাননিৰ লোভত ধনীৰ ঘৰত বিহু হুঁচৰি পৰিবেশন কৰি দুখীয়াৰ ঘৰত পদধূলি নিদিয়াতো অতি লজ্জাজনক আৰু পৰিতাপৰ বিষয় আৰু জাতিটোৰ বাবে অতি মাৰাত্মক কথা। এয়া যে কেৱল চহৰ বা নগৰত হে হয় এনে নহয়, বৰঞ্চ এই বিষবাষ্প গাঁৱবিলাকলৈও বিয়পিছে। গাঁৱত হুঁচৰি দ'ল আছে ঠিকেই, কিন্তু সকলোৱে গাঁৱত হুঁচৰি গোৱাৰ পৰিবৰ্তে চহৰ অঞ্চললৈ প্ৰতিযোগিতাৰ বাবেই হওক বা চহৰৰ ধনী মানুহৰ ঘৰতেই গাবলৈ হওক, সেইবিলাকলৈহে ঢাপলি মেলা পৰিলক্ষিত হৈছে। হুঁচৰি আজিকালি স্বেচ্ছাই গাবলৈ নাহে, নিমন্ত্ৰণ কৰি আনিব লাগে। এনেবিলাক হুঁচৰিক মোটা অংকৰ মাননি দিব লাগে। ইয়াৰোপৰি বিহু মেলা অনুষ্ঠিত কৰাৰ নামত বাটে-পথে, দোকান-বজাৰে চান্দা তুলি একপ্ৰকাৰ ধন দাবী কৰাৰ অপসংস্কৃতিয়েও গা কৰি উঠিছে। সম্প্ৰতি প্ৰতিখন গাঁৱত আৰু চহৰত একাধিক বিহু মেলা অনুষ্ঠিত কৰাটো ফেশ্বনত পৰিণত হৈছে। এয়া আচলতে বিহুক জীয়াই ৰাখিবৰ বাবে নকৰে, প্ৰত্যেকেই বিষয় বাব লৈ ধন আত্মসাৎ কৰাৰ উদ্দেশ্যে হে নিহিত থাকে যেন বোধ হয়। চান্দা তুলি কোনে বেছি ধুনীয়াকৈ মঞ্চ নিৰ্মাণ কৰিব পাৰিছে, কিমান বেছি টকাৰ পুৰস্কাৰ প্ৰদান কৰিছে, কিমান নামী-দামী শিল্পী আমন্ত্ৰণ কৰিছে, এইবিলাকৰ এক অঘোষিত প্ৰতিযোগিতা চলে। এইবোৰৰ মাজত বিহুৰ ঐতিহ্য, পৰম্পৰা নিশ্চয়কৈ লোপ পোৱা যেন অনুভৱ হয়।

প্ৰকৃততে প্ৰতিজন অসমীয়াৰ হাড়ে-হিমজুৰে, সিৰা-উপসিৰাই ব'হাগ নামৰ উতলা তেজ প্ৰবাহিত হৈ আছে। স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত, অসমীয়াৰ প্ৰাণৰো প্ৰাণ, হিয়াৰ আমঠু, বিশ্বত অসমীয়াৰ পৰিচয় বহন কৰে ব'হাগে। এই পৰিচয় লৈ অসমীয়াই সসন্মানে আৰু আত্মগৌৰৱে নিজৰ পৰিচয় দাঙি ধৰিব পাৰে। সেয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱে লিখিছিল - ব'হাগ মাথোঁ এটি ঋতু নহয়/ নহয় ব'হাগ এটি মাহ/ অসমীয়া জাতিৰ ই আয়ুস ৰেখা / গণ জীৱনৰ ই সাহ। যেতিয়ালৈকে বিহু থাকিব, তেতিয়ালৈকে অসমীয়া জাতি জীয়াই থাকিব। সেয়ে অসমীয়া জাতিটোক জীয়াই ৰখাৰ স্বাৰ্থতে বিহুক জীয়াই ৰাখিবলৈ সকলো অসমীয়াই প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব। অন্যথা অসমীয়া জাতি কালৰ বুকুত নিঃচিহ্ন হ'বলৈ বেছি পৰ নালাগিব।

WELCOME TO THE BETTER WORLD OF EDUCATION
HOME TUITION AVAILABLE ON DEMAND **
ADMISSION GOING ON
Since 2014
BPL STUDENTS WILL GET DISCOUNT **
EDUCATION IS OUR RELIGION
ADVANCE GURUKUL COACHING
In Association with
RONGILI BARTA
(An Assamese Weekly NEWS Paper)
(RNI No. 53683/94)
Approved by Govt. of Assam
Streams:- Science, Commerce and Arts
Accountancy, Business Studies, Banking/Finance..
Economics, Political Science, Education..
Physics, Chemistry, Mathematics and Computer Science..
(All Major and General Course also Available)
Contact Us: +91 86837-32821, +91 98542-15286 Email: agcghy534@gmail.com
Address: Bharalumukh, Near BMBB Commerce College, Guwahati, Assam-781009

# বিহুগীতত শাকঃ চহা অসমীয়া

tioxidants)। হৃদৰোগ, আলজেইমাৰ, কেঞ্চাৰ, কুকুৰী কণা, তেজ গোট মৰা আদি দেহৰ বিভিন্ন ৰোগ আৰু সমস্যাত লাই শাক উত্তম। আনহাতে লফা শাকে শৰীৰৰ ; লা-পোৰা আৰু প্ৰদাহ (inflamation) দূৰ কৰাত সহায় কৰে। এই দুয়োবিধ শাকৰ নাম লৈ বিহুগীতত গৈছে-

লাইৰ মাজে মাজে লফা ৰুই দিলোঁ
কুকুৰাই খুচৰি খায়
অতি চেনেহৰে ব'হাগৰ বিহুটি
ধান দি ৰাখোতা নাই।

খুতৰা শাকত ৩৮ শতাংশ প্ৰটিন থাকে; তদুপৰি থাকে এমিন' এচিড। দুয়োবিধ মানুহৰ দেহৰ বাবে অপৰিহাৰ্য উপাদান। হাপানী, শ্বাস-প্ৰশ্বাসৰ সমস্যা, বিষ নিৰাময়, শৌচ খোলোচা কৰা, অভোক আদি বিভিন্ন সমস্যা দূৰ কৰাত খুতুৰা শাক উপযোগী। এইবিধ শাকৰ নাম লৈ বিহুগীতত গোৱা হৈছে এইদৰে-

এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খুতৰা শাক
মূৰৰ চুলি ছিঙি আশীৰ্বাদ কৰিছোঁ
চেনাই তই কুশলে থাক।

ঢেকীয়াত প্ৰচুৰ পৰিমাণে ভিটামিন C, প্ৰটিন, শৰ্কৰা (carbohydtrate) আৰু আঁহ জাতীয় পদাৰ্থ (fibre) থাকে। উচ্চ ৰক্তচাপ, ছালৰ সমস্যা, মূৰৰ বিষ, জ্বৰ, ডায়েৰীয়া, ডিচেন্ত্ৰী, ফুলা, ছাল যোৱা আদি সমস্যা সমাধানত ঢেকীয়া শাক উত্তম খাদ্য। বিহুগীতৰ মাজত ঢেকীয়াৰ বৰ্ণনা দি গোৱা হৈছে এইদৰে-

পৰ্বতৰ ঢেকীয়া চিৰিলি পতীয়া
মেকুৰীয়ে কৰিব মাও
এইবাৰৰ দোষ-দায় ক্ষমিবা ঈশ্বৰ ঐ
হস্তীৰো পিচলে পাৱ।

তিতাফুলক তিতাবাহক, ৰঙা বাহক, বাহকা তিতা আদি বিভিন্ন নামেৰে জনা যায়। তিতাফুলৰ বিভিন্ন প্ৰজাতি আছে। ইয়াক বিষ নাশক, প্ৰদাহ-প্ৰতিৰোধী আৰু মেলেৰিয়া নাশক হিচাপে ব্যৱহাৰ কৰা হয়। তদুপৰি ইয়াত প্ৰচুৰ পৰিমাণে প্ৰতিজাৰক (antioxidants) থাকে। তিতাফুলৰ নাম লৈ বিহুৱা ডেকাই গাইছে এইদৰে-

বাৰীৰ মাজে মাজে গোলাপ ফুল ফুলিলে
তিতাফুল ফুলিলে ঢাপত
তোমাৰে আমাৰে জোৱা নিমিলিলে
কোনোবা জনমৰ পাপত।

বেহাৰ বা সৰিয়হ মিঠাতেলৰ প্ৰধান উৎস। এই বিষয়ে আলোচনাৰ নিষ্প্ৰয়োজন। কিন্তু ইয়াৰ গছৰো আছে গুণাগুণ। এই শাক লিভাৰ আৰু কিডনীৰ ৰোগৰ বাবে উপকাৰী। তদুপৰি ইয়াৰ আছে বেক্টেৰিয়া প্ৰতিৰোধী গুণ। এইবিধ শাকৰ বৰ্ণনা দি বিহুৱাই গাইছে-

লুইতৰ চাপৰিত সৰিয়হ ফুলিলে
মোৱাপোকে বেৰি যায়
চেনাইৰ পথাৰত চেনেহবোৰ ফুলিছে
মৰহি মলঙি যায়।

সেইসকল স্বভাৱ-কবি প্ৰকৃততেই প্ৰকৃতিমুখী আছিল। সেইবাবেই এইদৰে বিহুৰ উৎপত্তিৰ সময়তে হোজা কৃষকে স্বতঃস্ফূৰ্তভাৱে গাবলৈ লোৱা বিহুগীতবোৰ চিৰসেউজ হৈ আছে। এয়াই বিহুগীতৰ সৌন্দৰ্য, এয়াই বিহুগীতৰ আকৰ্ষণ; য'ত প্ৰকৃতিৰ সকলো সৃষ্টিয়েই ভুমুকি মাৰে।

# আমাৰ যোৰহাট নগৰৰ অপৰাধ

তেখেতক সেই অঞ্চলৰ হিন্দু -মুছলমান সকলোৱে ভাল পাইছিল।" (পৃষ্ঠা- ৫২)

বিল্লালৰ বাল্যবন্ধু সৰুমৈনাই মাছৰ বেপাৰ কৰে। সি বিল্লালৰ পৰা মাছৰ দাম কমাই লয়। "মাছৰ দাম কিমান অ'সৰু মৈনা? সৰু মৈনাই বেছ আত্মীয়তাৰে কয় আনৰপৰা বাৰটকাকৈ লৈ আছো, তই কেজিত দহটকাকৈ দিলেও হ'ব।" (পৃষ্ঠা- ৬৪)আনকি নাৰ্গিছক আঙঠি পিন্ধাবলৈ দৰাঘৰৰ মানুহৰ লগত ব্ৰাহ্মণ সম্প্ৰদায়ৰ মানুহ আহিছিল। হিন্দু মহিলা বীণামণিৰ সৈতে বিল্লালৰ প্ৰেমৰ সম্পৰ্কই গঢ় লৈ উঠে। আৰু বিবাহ পাশত আৱদ্ধ হয়। মন্দিৰৰ পূজাৰী বা কাজীয়ে এই বিয়া সম্পন্ন কৰা নাছিল যদিও দুয়ো দাম্পত্য জীৱনত সুখী। এজনৰ মনতো হিন্দু -মুছলমান ভেদভাৱ নাই। উপন্যাস খনৰ পৃষ্ঠাসমূহ এনে অলেখ সম্প্ৰীতিৰ বাৰ্তা বহন কৰি আছে। মূলতঃ যোৰহাটৰ অপৰাধ জগতৰ সঁচা কাহিনীৰে খলনায়ক ৰচনা কৰা হৈছে যদিও গ্ৰন্থখনৰ পৰা পুৰণা যোৰহাট নগৰৰ বহুত কথা, ঘটনা, তথ্যৰ সম্ভেদ পোৱা যায়। পেৰেডাইজ, গে-ছ'ডা আদি হোটেল - ৰেস্তোৰা, জিমখানা ক্লাবৰ কথাও পাঠকে পঢ়িবলৈ পাব।

আহোম ৰজাই ৰংপুৰৰপৰা ৰাজধানী যোৰহাটলৈ স্থানান্তৰ কৰোতে অন্যান্য বিষয়াসকলৰ লগতে মুছলমান সম্প্ৰদায়ৰ বিষয়াসকলকো আৰু বৃত্তিয়াল লোকক লৈ আহিছিল। ফলত যোৰহাটত এক সংস্কৃতিবান সমাজ গঢ় লৈ উঠে। য'ত সাম্প্ৰদায়িক বিভেদ নাই। তেনে এখন নগৰৰ অপৰাধ জগততো সাম্প্ৰদায়িক বিভেদ নাই। 'খলনায়ক' উপন্যাসৰ মূখ্য চৰিত্ৰ বিল্লাল মুছলমান সম্প্ৰদায়ৰ হ'লেও বিল্লালৰ সহযোগীসকল হিন্দু -মুছলমান উভয় সম্প্ৰদায়ৰ মানুহ আছিল। অপৰাধ জগতখনত কোনোবাই ব্যক্তিগত শত্ৰুতাত আন এজনক আক্ৰমণ কৰিলেও তাত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি নহৈছিল। এইখন যোৰহাট নগৰ যে বাঘ হাজৰিকা, ফৰ্মুদ আলী, বাহাদুৰ গাওবুঢ়াৰ বংশ পৰিয়ালৰ বাসস্থান থকা নগৰ। আৰু ঔপন্যাসিক তৌফিক ৰহমান এক আঢ্যৱন্ত মুছলমান সম্প্ৰদায়ৰ সন্তান। তেখেতৰ মাতৃ শিৱসাগৰৰ পখ্যত ময়িদুল ইছলাম বৰাৰ ভাগিনীয়েক। তৌফিক ৰহমানে অভিনেতাৰূপে অসমৰ মানুহৰ মাজত এখন সুকীয়া আসন দখল কৰি আছে । সেইজন জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা অভিনেতাই ৰচনা কৰা উপন্যাস খলনায়কত আজিৰপৰা ৬৫ বছৰৰ আগৰ যোৰহাটৰ অপৰাধ জগতৰ বহুত কথা জানিব পাৰিব। **আগলৈ...**

# বিহু অসমীয়া জাতিৰ

কৰা হ'ব। আজি কিছুবছৰৰ পৰা বিহুৰ নামত একাংশ দুষ্ট চক্ৰৰ মন-মগজুত এক ব্যৱসায়িক মনোবৃত্তি গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। এই দুষ্টচক্ৰটোৰ মাজত আছে একাংশ পাবত গঁজা শিল্পী, কলা-কুশলী। অসমীয়া মানুহৰ নীৰৱতাক সুযোগ হিচাপে লৈ সেই সকল দুষ্টবুদ্ধিৰ কণ্ঠশিল্পী, গীতিকাৰে অসমীয়া গীত-মাতক অপভ্ৰংশ কৰাই নহয়, অসমীয়া জাতিৰ প্ৰাণৰো প্ৰাণৰ, গৌৰৱ বিহুগীতৰ ওপৰত 'বজ্ৰাঘাত' কৰিছে । ইয়াৰ কুফল স্বৰূপে এতিয়াৰ বিহুগীতবোৰ শুনিলে এনে লাগে যেন প্ৰকৃত বিহুগীতবোৰ হেৰাই গ'ল আৰু তাৰ ঠাইত অনাধিকাৰ প্ৰবেশ কৰিলে একাংশ বিহু নাম ধাৰি বিকৃত তাল-মান-লয়- ছন্দ যুক্ত গীতৰ । এই গীতবোৰ প্ৰকৃততে বিকৃত বিহু গীতহে। বিহুগীতৰ সম্ৰাট খগেন মহন্তৰ পিছত তেওঁৰ সুপুত্ৰ পাপন ওৰফে অংগৰাগ মহন্তই বিহু গীতত এটা নতুন ধাৰা প্ৰচলন কৰিলে, যিটো অসমীয়া মানুহৰ মুঠেই কাম্য নহয়। সম্ভৱতঃ তেতিয়াৰ পৰাই অসমীয়াই গীত-মাতত এক নতুন ধাৰাৰ প্ৰবৰ্তন হ'বলৈ ল'লে, বিশেষকৈ বিহু গীতত। পাপনক অনুসৰণ কৰি, চাওতে - চাওতে আৰু ভালেমান গায়ক-গীতিকাৰৰ জন্ম হ'ল। যিসকলে বিহুৰ মাজত পূৰ্বৰ ধাৰণাটো ধৰি ৰাখিবলৈ সমৰ্থ নহ'ল। ইয়াৰ কুফল স্বৰূপে বৰ্তমান বিহু গীতত পূৰ্বৰ গভীৰতা, স্থায়িত্ব একেবাৰেই হেৰাই গৈছে। বিহু গীতৰ এই বিশাল ক্ষেত্ৰখনত হোৱা আটাইতকৈ ডাঙৰ ক্ষতি আৰু একোৱেই হ'ব নোৱাৰে। দ্বিতীয়তে- বিহু গীতৰ ভাব-ভাষাৰো সলনি হৈছে। এতিয়া, বিহু গীতত অস্বাভাৱিক ভাৱে আমদানি কৰা হৈছে কিছুমান অমাৰ্জিত (অশ্লীল) শব্দ আৰু বাক্য, যিবোৰ কাৰোৰেই কামনা নহয়। প্ৰশ্ন উত্থাপন হৈছে- বিহুৰ বাবে আজি প্ৰকৃতিৰ ৰাণী অসমত শব্দৰ অভাৱ হ'ল নেকি, নে সস্তীয়া জনপ্ৰিয়তা লাভৰ এয়া কূট-কৌশল? বিহু গীতত মাৰ্জিত যৌনতা, কোনো ডাঙৰ কথা নহয়! এখন সুসভ্য সমাজৰ বাবে ই এটা কৌটিটকীয়া ডাঙৰ প্ৰশ্ন? এটা বিহু গীত যদি পৰিয়ালৰ সকলোৱে একেলগে বহি উপভোগ কৰিব নোৱাৰে, তেতিয়া বিষয়টো লঘু ভাবে ল'লে নহ'ব। আমাৰ অসমীয়া সমাজখনে সকলো কথা আৰু আচৰণক গুৰুত্ব সহকাৰে ল'বলৈ নিশিকিলে, পৰিণামত আমি বহু-বহু ক্ষতিৰ সন্মুখীন হ'বলগীয়া হ'ল। তেনেকুৱা এশ-এবুৰি সমস্যা আজিও তেনে ভাবে পৰি ৰ'ল। বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে আমি ৮৫৫ জন তেজাল ডেকাক হেৰুৱালো; কিন্তু সেই সমস্যা আজিও সমস্যা হৈয়েই ৰ'ল । কাৰণ- অসমীয়া জাতিৰ গা এৰা দিয়া অথবা কানিয়া মনোবৃত্তি।

আজি অসমত অসমীয়া মহাসংকটত পৰিছে। অসমতে অসমীয়াই নিজৰ ভাষা-সংস্কৃতি হেৰুৱাৰ উপক্ৰম হৈছে । ঘৰ শত্ৰু বিভীষণ হৈ একাংশই নতুন দিল্লীৰ আজ্ঞাবাহী হৈ অৰ্থাৎ সুৰৰ লগত সুৰ মিলাই জাতি-মাটি-ভেটি বিক্ৰী কৰাৰ পৰিকল্পনা কৰিছে। উদ্দেশ্যে কেৱল ক্ষমতা আৰু নিজক সুৰক্ষিত কৰি ৰখা। আমি আজি বিহুৰ নামত আনন্দ কৰিছোঁ, নিজক তুলি ধৰাৰ অপৰাহ্ন চেষ্টা কৰিছোঁ আৰু আমি যে জীয়াই আছোঁ তাক প্ৰমাণিত কৰিব বিচাৰিছোঁ ; কিন্তু এই স্বাভিমান সদায় অটুট থাকিবই নে? পৰিতাপৰ বিষয় যে আজিৰ অসমীয়াই নিজকে অসমীয়া ভাষা বিদ্বেষী বুলি গৌৰৱ কৰে। সুযোগ পালে কয়- মোৰ ল'ৰাই অসমীয়া আখৰ চিনি নাপায়, ক'বও নাজানে, বুজিও নাপায়। গৌৰৱেৰে এমোকোৰা হাঁহি মাৰে। আৰু কিন্তু কিমান দিনলৈ। নক'লেও নহয় যে আজি অসমীয়া ভাষাটো "মিঞা"ৰ ভাষা হৈ পৰিছে । যাক আমি বিদেশী বুলি তুচ্ছ-তাচ্ছিল্য কৰোঁ। তেওঁলোকেহে অসমীয়া ভাষা পঢ়িবলৈ লৈছে, শিকিব লৈছে।

ৰাজ্যখনৰ ভিন - ভিন প্ৰান্তত এবাৰ ফুৰিলেই সঁচা- মিছা ওলাই পৰিব। সৰ্বাধিক হিন্দু বঙালীলোকে অসমীয়া ভাষা-সংস্কৃতি বেয়া পায়। অসমীয়া ভাষাটোৰ প্ৰতি অনীহা। ক'বও নোখোজে। নিলিখেও। কিন্তু অসমকে নিজৰ মাতৃভূমি বুলি গণ্য কৰা "মিঞা মুছলমান" সকলে বিভিন্ন তাগিদাত পৰি অসমীয়া ভাষাত পঢ়িবলৈ লৈছে। অসমীয়া ক'বলৈ শিকিছে। ক'ব পাৰি, তেওঁলোকৰ এই আস্থা, বিশ্বাস আৰু অসমীয়া জাতি-ভাষাটোৰ সঞ্জীৱনী হৈ কাম কৰি আছে। আমিবোৰে (খাৰখোৱা অসমীয়াবোৰে, নিজক জহাই ভালপোৱাসকলে) বিলাতী চাহাব হ'বলৈ গৈ নিজৰ ভাষা-সংস্কৃতি পাহৰি গৈছোঁ। আমি আমাৰ স্বাভিমান ধৰি ৰাখিবলৈ সমৰ্থ হ'মনে ? সন্দেহ হয়- এদিন হয়তো বিশ্বৰ বুকুত আমি আমাৰ ভাষা-সংস্কৃতিকো ইতিহাস হ'বলৈ এৰি দিম (ভাব হয়, বিশ্বাস হয়, আশংকাত ককবকাই আছোঁ)। লোকে ক'ব অসম নামৰ প্ৰদেশ এখনত অসমীয়া নামৰ এটা ভাষা আছিল। আছিল বিহু গীত, বিহু সংস্কৃতি । বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকাৰ ভাষাত - অসমতে অসমীয়া ভোগনীয়া হ'ব।

অসমবাসী জনগণ সচেতন হ'বৰ হ'ল। জোৰ পুৰি হাত পালেহি।

চাৰি পৃষ্ঠাৰ পৰা...

## মৰাণত লুৰিণজ্যোতি গগৈৰহৈ

বিৰোধী ঐক্য মঞ্চই। অখিল গগৈয়ে তেঁওৰ ভাষণত বিৰোধীৰ চৰকাৰ আহিলে লুৰিণ জ্যোতি গগৈ কেন্দ্ৰীয় মন্ত্ৰী হ'ব বুলি কয়। লুৰীণজ্যোতি গগৈক ভোট দিবলৈ আহ্বান জনাই পুনৰ কয় যে নতুন ৰাজনৈতিক দল খোলাৰ কথা। নিৰ্বাচনৰ পিছতে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দল একেলগ হৈ নতুন আঞ্চলিক দল খুলিব বুলি ঘোষনা কৰে অখিল গগৈয়ে। ইফালে, ৰাইজক সম্বোধন কৰি নিজৰ ভাষণত বিজেপি চৰকাৰৰ বিৰুদ্ধে সোচ্চাৰ হৈ উঠে কংগ্ৰেছৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিং আৰু কংগ্ৰেছৰ সভাপতি ভূপেন বৰা। অসমীয়াৰ লগতে হিন্দী ভাষাত ৰাইজক উদ্দেশ্যি ভাষণত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে লুৰীণজ্যোতি গগৈ। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিঙৰ আগত ৰাহুল গান্ধী প্ৰধান মন্ত্ৰী হব বুলি মন্তব্য প্ৰকাশ কৰে লুৰীণজ্যোতি গগৈয়ে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ১০০ দিনৰ পিছত প্ৰাক্তন মুখ্যমন্ত্ৰী হব বুলি মন্তব্য প্ৰদান কৰে ভূপেন বৰা লুৰীণজ্যোতি গগৈ, ভূপেন বৰা, জিতেন্দ্ৰ সিং আদি নেতা সকলে।

## ডিব্ৰুগড়ত শান্তিপূৰ্ণ ভাৱে ঈদ উদযাপন

বাণী পঠিয়াইছে। ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচনৰ সভাপতি ডাঃ চাজিদ আহমেদ, সম্পাদক নাচিৰ চুলতান, কোষাধ্যক্ষ নেজিব হুছেইন ছাব্ৰী, চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি ডাঃ আহমেদউল্লা খান, সম্পাদক এম হাছিম আলী, উপ-সভাপতিদ্বয় আলহজ চেহিৰ আহমদ, আব্দুল খালেক, ডিব্ৰুগড় ঈদগাহ সমিতিৰ সভাপতি আলহ; আমান উল্লা আনচাৰি, সম্পাদক আলহ; চৌকত আলি, কাৰ্যকৰি সভাপতি আব্দুল চাজিদ, ডিব্ৰুগড় জিলাৰ হিলাল কমিটিৰ সভাপতি আলহজ মৌলানা আইনান জুবেৰী, সম্পাদক আলহ; নাচিমুল গণি, ডিব্ৰুগড় ইমাম পৰিষদৰ সভাপতি আলহ; মৌলানা ছবিৰ আহমেদ, সম্পাদক আলহ; মৌলানা আতিকুৰ ৰহমান কাচিমী, আমোলাপট্টি ঈদগাহ কমিটিৰ সভাপতি আলহজ ছবিৰ আহমেদ, সম্পাদক জাৱেদ ৰহমান আদি বিভিন্নজনে ঈদৰ শুভেচ্ছা আৰু ঈদ মোবাৰক জনাইছে।

দুই পৃষ্ঠাৰ পৰা...

## অসম গণ পৰিষদৰ মত বিনিময় অনুষ্ঠান

বলবৎ সন্দৰ্ভত বিভিন্ন প্ৰশ্নৰ সন্মুখীন হয়। সকলো প্ৰশ্নৰ উত্তৰ অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰা দিয়ে। প্ৰতি গৰাকী সংবাদ কৰ্মীক অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই উজ্জ্বল ভৱিষ্যত কামনা কৰি একোখন ফুলাম গামচাৰে সম্বৰ্ধনা জনায়। এই অনুষ্ঠানত সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সম্পাদক ডাঃ কমলা কলিতা, সম্পাদক ড° তপন দাস, মিডিয়া সমন্বয়ক অংশুমান দত্ত, সম্পাদক মনোজ শইকীয়াকে আদি কৰি সংবাদ কৰ্মী সহ প্ৰায় ৭০ জন মান লোক উপস্থিত আছিল।

## ডিগবৈত পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান

আনহাতে, অসমৰ চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ প্ৰসংগত মুখ্যমন্ত্ৰী গৰাকীয়ে গেৰাণ্টি দিয়ে যে নিৰ্বাচনত জয় লাভ কৰি আপে ক্ষমতা লাভ কৰিলে অসমৰ চাহ শ্ৰমিকৰ মজুৰি ৪৫০ টকালৈ বৃদ্ধি কৰিব। তদুপৰি, চাহ বাগিছাৰ লোকসকলৰ মাটিৰ পট্টা প্ৰদানৰ গেৰাণ্টিও দিয়ে। আদিবাসী সকলৰ বাবে পানী, বনাঞ্চল আৰু মাটিৰ অধিকাৰৰ প্ৰসংগ উত্থাপন কৰি মাটিৰ পট্টাৰ সমস্যা সমাধানৰ আশ্বাস দিয়ে। সমাবেশত ভাষণ দি বিজেপি তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বৰ এন ডি এ চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সৰৱ হয় পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান। তেওঁৰ অভিযোগ -"দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰি আম আদমী পাৰ্টিক নিঃশেষ কৰিব বিচাৰিছে। কিন্তু তেওঁলোকে নাজানে যে অৰবিন্দ কেজৰিৱাল এটা আদৰ্শ, বিচাৰধাৰা। ইয়াক শেষ কৰিব নোৱাৰি। এজন কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তত অগণন কেজৰিৱাল ওলাই আহিছে।" আনহাতে নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে দিয়া ভুৱা প্ৰতিশ্ৰুতিৰ বিৰুদ্ধেও কেন্দ্ৰীয় চৰকাৰক কটাক্ষ কৰে নেতাগৰাকীয়ে। বিদেশী বেংকত জমা থকা ক'লা ধনৰ প্ৰসংগতো সৰৱ হয় মুখ্যমন্ত্ৰী মান। প্ৰধানমন্ত্ৰী মোদীয়ে বিদেশী বেংকৰ পৰা ক'লা ধন ঘূৰাই আনি প্ৰতিজন ভাৰতীয়ৰ একাউন্টত ১৫ লাখকৈ টকা দিব বুলি যি ভুৱা প্ৰতিশ্ৰুতি দিছিল সেয়া "ঝুমলা" বুলি উল্লেখ কৰে মানে। এনেদৰে কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সমালোচনাত মুখৰ হয় আপৰ শীৰ্ষ নেতাগৰাকী। সমাবেশত আপৰ ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰক হাতত ধৰি মানে ৰাইজক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ কয়। সমাবেশত আপৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ জেছমিন শ্বাহৰ উপস্থিতিত প্ৰাৰ্থী মনোজ ধানোৱাৰ, আম আদমী পাৰ্টিৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা, ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰী, মুখপাত্ৰ গুৰপ্ৰীত সিং উপ্পল আৰু অনুৰূপা ডেকাৰজা আৰু মামুন ইমদাদুল হক চৌধুৰীয়েও ভাষণ দিয়ে।






তিনিপৃষ্ঠাৰ পৰা...

## এবিভিপিৰ ভোটাৰ সজাগতা অভিযান

সময়ত আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী ভাৰতৰ বাবে দেশৰ যুৱক-যুৱতীসকলে কেৱল চাকৰি পিছতেই নহয় ষ্টাৰ্টআপ উদ্যোগীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। আজি আমাৰ দেশ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দৃষ্টিকোণৰ পৰা শক্তিশালী হৈ পৰিছে। দেশৰ আন্তঃগাঁথনি দ্ৰুত গতিত বিকশিত হৈছে, সেয়া ৰাজপথৰ আন্তঃগাথঁনিয়েই হওক বিদ্যুৎ, পানী, স্বাস্থ্য বা শিক্ষাৰেই হওক, সমাজৰ প্ৰতিটো খণ্ডতে উন্নতি হৈছে। আজিৰ ভাৰতবৰ্ষৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱক- যুৱতীসকলে দেশৰ উন্নয়নৰ যাত্ৰাত অংশগ্ৰহণ কৰি ১০০ শতাংশ ভোটদান কৰক। দেশৰ ঐক্য আৰু অখণ্ডতা অক্ষত ৰখাৰ কাম কেৱল এখন শক্তিশালী আৰু সুস্থিৰ চৰকাৰেহে কৰিব পাৰিব। ভাৰতৰ পৰম্পৰা, সংস্কৃতি, ভাৰতবৰ্ষক আৰু অধিক শক্তিশালী কৰিবলৈ হ'লে আমি এই গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি ১০০ শতাংশ ভোটদান কৰাৰ প্ৰয়োজন। ভাৰতবৰ্ষত ভাৰতকেন্দ্ৰিক শিক্ষাৰ ব্যৱস্থাৰ বাবে বিদ্যাৰ্থী পৰিষদে দাবী জনাই আহিছে তাৰেই ফলস্বৰূপে বৰ্তমান ৰাষ্ট্ৰীয় শিক্ষা নীতি অনা হৈছে আৰু ইয়াক দেশৰ শিক্ষাব্যৱস্থাত অতিশীঘ্ৰে ৰূপায়ন কৰাৰ প্ৰয়োজন। আজি বাংলাদেশী মুছলমান অনুপ্ৰৱেশকাৰীয়ে অবৈধভাৱে দখল কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ বৃহৎ ভূমি বেদখলকাৰী সকলৰ পৰা মুকলি কৰাৰ কাম চলি আছে। আগন্তুক সময়ত অসমীয়া আৰু ভাৰতীয় পৰম্পৰাৰ ধ্বজাবাহক ঐতিহ্যপূৰ্ণ স্থান সমূহ অবৈধ অনুপ্ৰবেশকাৰী সকলৰ দখলৰ পৰা মুক্ত কৰি নতুনকৈ নিৰ্মাণ কৰিব লাগে। যোৰহাটত মহাবীৰ লাচিত বৰফুকনৰ বিশ্বৰ সৰ্ববৃহৎ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে ইয়াৰ ওপৰিও লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তী নতুন দিল্লীত উদযাপন কৰি তেওঁৰ বীৰত্বক ৰাষ্ট্ৰীয় দৃশ্যপটলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হৈছে। যেনেকৈ কংগ্ৰেছৰ ছাত্ৰ সংগঠন NSUI আৰু আছুৱে মা কামাখ্যা আৰু লাচিত বৰফুকনৰ প্ৰতিচ্ছবি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত ভৰিৰে লঠিয়াই অপমান কৰি জ্বলাই দিলে, তাৰ বিৰুদ্ধে অসমৰ যুৱক-যুৱতীসকলে ভোট প্ৰদান কৰিব আৰু যিমান পাৰে ভোট দিবলৈ আনকো উৎসাহিত কৰিব।

## অসম ৰাজ্যিক অংগন বাড়ী

সঞ্চালকৰ প্ৰস্তাৱ মানি মাননি বৃদ্ধি কৰা। তেওঁলোকৰ এই সমস্যাৰ বিষয়ে আঁতৰি থাকি অতি চতুৰালিৰে চি আই টি ইউৰ প্ৰসঙ্গ টানি অনাটো অতি হাস্যকৰ। সংবাদ মেলত তেওঁলোকৰ স্পষ্ট বক্তব্য যে আজিৰ সময়ত কোনোবাই কাৰ অধীনত থাকিব নে নাথাকে সেয়া বিষয় হ'ব নালাগে। বিষয় হ'ব লাগে অসমৰ ১ লাখ ২১ হাজাৰ কৰ্মী, মিনি কৰ্মী আৰু সহায়িকা সকলৰ জীৱন ধাৰণত সামান্য সকাহ দিয়াৰ বাবে বিভাগীয় সঞ্চালকৰ প্ৰস্তাৱ মানি মাননি বৃদ্ধি কৰা। সংবাদ মেলত সভানেত্ৰীৰ উপৰিও কামৰূপৰ সভানেত্ৰী কল্পনা দেৱী, উপ সভানেত্ৰী বিনা বৈশ্য, প্ৰণিতা বৈশ্য, সম্পাদিকা ইন্দিৰা নেৱাৰকে আদি কৰি কেইবাজনো ব্যক্তি উপস্থিত থাকে।




ENGLISH NEWS SECTION

# Governor attends the valedictory ceremony of newly recruited post cocoon technology scientists

Guwahati, RB News- Assam Governor Shri Gulab Chand Kataria attended the valedictory ceremony of the one-month foundation training program of newly recruited post cocoon technology scientists at Jorhat today. Organized by CMER&TI (Central Muga Eri Research & Training Institute), under the



aegis of the Central Silk Board, Ministry of Textiles, Government of India. Speaking on the occasion, Governor Shri Kataria extended his heartfelt congratulations to the scientists upon successful completion of their foundation training. He asked the scientists to dedicate their efforts towards the noble cause of national development and to strive towards positioning India as a frontrunner in silk production. He also said that The Central Muga Eri Research & Training Institute, operating under the aegis of the Central Silk Board, has played a pivotal role in advancing the silk industry. He said that the role of the Central Silk Board is largely responsible for ranking India as the second-largest producer of silk globally.

# Governor attends Gangaur Teej Mahotsav




Guwahati, RB News- Assam Governor Shri Gulab Chand Kataria attended the Gangaur Teej Mahotsav organized by Shri Gangaur Teej Mahotsav Samity at Fancy bazaar in the city here. Speaking at the programme, Governor Shri Kataria said that India is a treasure trove of several colourful cultures that find their manifestations through different festivals. Gangaur Teej Mahotsav is one such festival which showcases the rich culture of India. The Governor said that though the festival is not so much familiar with the people of this part of the country, it (Gangaur Teej) plays a crucial role in preserving and transmitting the rich cultural heritage to the younger generations. The Governor however, said that in the era of globalization when science and technology are ruling the roost, people are gradually forgetting their folk culture. Therefore, it is necessary to preserve and promote folk culture and traditions through the celebrations of festivals.

# Mary Kom steps down as India's Chef de Mission for Paris Olympics



RB News - Boxing legend and 2012 Olympic Games bronze medallist M C Mary Kom has stepped down as Chef-de-Mission of the Indian contingent for the Paris Olympic Games, citing personal reasons. Mary Kom, appointed as the Chef de Mission of the Indian contingent last month, wrote a letter to Indian Olympic Association (IOA) president Dr. PT Usha, asking to be relieved from her position as Chef-de-Mission of the Indian contingent.

# Hardik Pandya's Brother Vaibhav Pandya Arrested

RB News- Cricketer Hardik Pandya's brother was arrested on Wednesday for defrauding the cricketer and his brother in business. Hardik's brother Vaibhav Pandya has swindled around INR 4.3 crore from a partnership firm in Mumbai. This caused a loss to Hardik and his brother Krunal, said officials



of the Economic Offenses Wing of the Mumbai Police.

# K-pop singer Park Bo Ram passes away at 30




K-pop singer Park Bo Ram has passed away at the age of 30. Her agency XANADU Entertainment said that the cause of her death is being investigated by the police. Park Bo Ram officially debuted with the song 'Beautiful' in 2014. She is also known for her songs including 'Sorry', 'Pretty Bae', 'Dynamic Love' and 'Celepretty', among others.

# Australia defeats India 3-1 in fourth hockey Test match in Perth

RB News - April 12, Australia men's hockey team defeated India by 3-1 scoreline at the Perth Hockey Stadium, to take a 4-0 lead in the five-match Test series. The Harmanpreet Singh-led team went ahead early, but they couldn't sustain their performance throughout the entire 60 minutes, conceding two goals in the final quarter to succumb to a tough defeat.



# Manika-Sathiyan fail to bag Paris Olympics 2024 quota



RB News- Indian TT mixed doubles pair of Manika Batra and Sathiyan Gnanasekaran bowed out of the Paris Olympics 2024 race. They suffered a heartbreaking loss in the second round of the World Olympic Mixed Doubles Qualification Tournament in Havirov, Czech Republic on April 12, Friday. The Indian pair lost to Malaysia's Javen Choong and Karen Lyne 9-11, 9-11, 9-11, 11-7, 8-11.

# লক্ষ্ণৌ ছুপাৰ জায়েন্টছৰ বিৰুদ্ধে দিল্লী কেপিটেলছৰ জয়লাভ




ৰঙিলী বাৰ্ত্তাসেৱা- লক্ষ্ণৌত অনুষ্ঠিত মেচখনত দিল্লী কেপিটেলছে ঘৰুৱা দল লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৬ উইকেটত পৰাস্ত কৰে। মেচখনত লক্ষ্ণৌৱেবে জয়ৰ বাবে বান্ধি দিয়া ১৬৮ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি জেক ফ্ৰেজাৰ-মেকগাৰ্কৰ দৰ্শনীয় ৫৫, অধিনায়ক ঋষভ পণ্টৰ ৪১ আৰু পৃথ্বী শ্বৰ ৩২ ৰানৰ সহায়ত দিল্লীয়ে ১৮.১ অভাৰত ৪ টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। উল্লেখ্য যে দিল্লীয়ে এতিয়ালৈকে ৬ খন মেচ খেলি দুখনত জয়লাভ কৰাৰ বিপৰীতে লক্ষ্ণৌৱে ৫ খন মেচ খেলি দুখনত পৰাস্ত হৈছে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি আয়ুস বাডোনিৰ দৰ্শনীয় অপৰাজিত অৰ্ধশতক আৰু অধিনায়ক লোকেশ ৰাহুলৰ ৩৯ ৰানৰ সহায়ত লক্ষ্ণৌ ছুপাৰ জায়েন্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬৭ ৰান সংগ্ৰহ কৰে। বাডোনিয়ে ৩৫টা বলত পাঁচটা চাৰি আৰু এটা ছয়েৰে ৫৫ ৰান কৰি অপৰাজিত হৈ থাকে। ৯৪ ৰানতে লক্ষ্ণৌৱে ৭টা উইকেট হেৰুৱাইছিল। অষ্টম উইকেটত বাডোনি আৰু আছাদ খানে অপৰাজিতভাৱে ৭৩ ৰান সংগ্ৰহ কৰি দলটোক সন্মানজনক স্থিতিত উপনীত কৰায়। আছাদে ২০ ৰান কৰি নটআউট হৈ থাকে। ডি ক'কে ১৯ আৰু দীপক হুদাই ১০ ৰান কৰে যদিও বাকীসকল ব্যৰ্থ হয়। দিল্লীৰ হৈ কুলদীপ যাদৱে সৰ্বাধিক তিনিটা উইকেট লাভ কৰে।


# দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হ'ব ২০২৭ চনৰ এদিনীয়া বিশ্বকাপ



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৭ চনৰ এদিনীয়া বিশ্বকাপ দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হ'ব। ২০২৭ চনৰ বিশ্বকাপৰ খেলসমূহ দেশখনৰ আঠখন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। তিনি বছৰ পূৰ্বে চূড়ান্ত কৰা হৈছে বিশ্বকাপৰ ভেন্যুসমূহ। পৰৱৰ্তী বিশ্বকাপৰ একমাত্ৰ আয়োজক দেশ নহয় দক্ষিণ আফ্ৰিকা। জিম্বাব'ৱে আৰু নামিবিয়া সহ-আয়োজক। ক্ৰিকেট দক্ষিণ আফ্ৰিকাই বিশ্বকাপৰ বাবে আঠটা স্থান চিনাক্ত কৰিছে। ক্ৰিকেট দক্ষিণ আফ্ৰিকাৰ মুখ্য কাৰ্যবাহী এফ মোচেকিয়ে কয় যে আমি বিশ্বকাপৰ স্থানসমূহ বিজ্ঞানসন্মতভাৱে সকলো দিশ পৰীক্ষা কৰি চূড়ান্ত কৰিছোঁ। ষ্টেডিয়ামৰ ওচৰৰ কিছুমান মানসম্পন্ন হোটেল, অনুশীলন খেলপথাৰ, বিমানবন্দৰৰ পৰা দূৰত্বৰ দৰে কাৰকসমূহ বিবেচনা কৰিব লাগিব। আমি এই কথাটোক গুৰুত্ব দিছোঁ যে বিশ্বকাপৰ সময়ত ক্ৰিকেটাৰসকলে বেছি ভ্ৰমণ কৰিব নালাগে। দক্ষিণ আফ্ৰিকাত আইচিচিৰ স্বীকৃতিপ্ৰাপ্ত ১১খন ষ্টেডিয়াম আছে। নিৰ্বাচিত আঠখন ষ্টেডিয়াম হ'ল- ছেঞ্চুৰিয়নৰ ৱাণ্ডাৰাৰ্ছ, চেঞ্চুৰিয়ানৰ চুপাৰ স্প'ৰ্টছ পাৰ্ক, ডাৰবানৰ কিংছমিড, গকবেৰহাৰৰ ছেইন্ট জৰ্জ পাৰ্ক, পাৰ্লৰ ব'লেণ্ড পাৰ্ক, কেপটাউনৰ নিউলে?, ব্লু'মফন্টেইনৰ মাংগাউং অ'বাল আৰু ইষ্ট লণ্ডনৰ বাফেলো পাৰ্ক। বিশ্বকাপ আয়োজনৰ বাবে দক্ষিণ আফ্ৰিকা আৰু জিম্বাব'ৱেই এই প্ৰতিযোগিতাত পোনপটীয়াকৈ খেলাৰ সুযোগ পাব। অৱশ্যে আফ্ৰিকান কোৱালিফায়াৰত খেলি নামিবিয়াই যোগ্যতা অৰ্জন কৰিব লাগিব।

# ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ৭ উইকেটত বৃহৎ জয় মুম্বাই ইণ্ডিয়ানছৰ

ৰঙিলী বাৰ্ত্তাসেৱা- মুম্বাইত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ মেচত মুম্বাই ইণ্ডিয়ানছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৭ উইকেটত পৰাজিত কৰে। ১৯৭ ৰানৰ বৃহৎ লক্ষ্য সন্মুখত লৈ মুম্বাইৰ ঈশান কিশন আৰু সূৰ্যকুমাৰ যাদৱৰ বিধ্বংসী বেটিংৰ সহায়ত তিনি উইকেট হেৰুৱাই সহজ বিজয় সাব্যস্ত কৰে। ঈশানে মাত্ৰ ৩৪ টা বলত ৬৯ ৰান সংগ্ৰহ কৰি দলক সুন্দৰ আৰম্ভণি দিয়ে। আনহাতে ৰোহিত শৰ্মাই ২৪ টা বলত ৩৮ ৰান, সূৰ্যকুমাৰে ১৯ টা বলত ৫২ ৰান, অধিনায়ক হাৰ্দিক পাণ্ডিয়াই ২১ ৰান আৰু তিলক বাৰ্মাই ১৬ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছে ১৫.৩ অভাৰতে ১৯৯ ৰান কৰে। মেচখনত প্ৰথমে বেটিং কৰি বেংগালুৰুৱে আৰম্ভণিতে বিৰাট কোহলিৰ উইকেট হেৰুৱাই যদিও আনগৰাকী অ'পেনাৰ ফাফ ডুপ্লেছিচে ৪০ টা বলত ৬১ ৰান কৰি দলক সুন্দৰ আৰম্ভণি দিয়ে। বেংগালুৰুৰ হৈ ৰজত পাটিদাৰে ২৬ টা বলত ৫০ ৰানৰ এটা বিধ্বংসী ইনিংছ খেলে। অৱশ্যে উইলি জেকছ (৮) আৰু গ্লেন মে'ৱেল (৪) সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। শেষৰফালে দীনেশ কাৰ্তিকে ২৩ টা বলত ৫৩ ৰান কৰি অপৰাজিত হৈৰয়। মুম্বাইৰ হৈ জ'ছপ্ৰীত বুমৰাহে ৫ টা উইকেট দখল কৰে।



# আইপিএলত প্ৰথমটো পৰাজয়ৰ সন্মুখীন হ'ল ৰাজস্থান ৰয়েলছ

ৰঙিলী বাৰ্ত্তাসেৱা- আইপিএলত প্ৰথমটো পৰাজয়ৰ সন্মুখীন হ'ল ৰাজস্থান ৰয়েলছ। জয়পুৰত অনুষ্ঠিত মেচখনত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৩ উইকেটত পৰাস্ত কৰে। ৰাজস্থানে জয়ৰ বাবে বান্ধি দিয়া ১৯৭ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দলটোৰ জয়ত মুখ্য ভূমিকা লয় ৰছিদ খানে। ১১ টা বলত চাৰিটা ৪ ৰে অপৰাজিতভাৱে ২৪ ৰান কৰি গুজৰাটক ৰোমাঞ্চকৰ জয়ৰ সোৱাদ দিয়ে ৰছিদে। অধিনায়ক শুভমন গিলে ৭২ ৰান, ছাই সুদৰ্শনে ৩৫, ৰাহুল টেৱাটিয়াই ২২ ৰানৰ গুৰুত্বপূৰ্ণ অৰিহণা




আগবঢ়ায়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অসম সন্তান ৰিয়ান পৰাগ আৰু অধিনায়ক সঞ্জু ছেমছনৰ বিস্ফোৰক অৰ্ধশতকৰ সহায়ত ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৯৬ ৰান সংগ্ৰহ কৰে। অ'পেনাৰদ্বয় যশস্বী জয়ছোৱাল আৰু জ'ছ বাটলাৰে দলক সুন্দৰ আৰম্ভণি দিয়াত ব্যৰ্থ হয়। জয়ছোৱালে ২৪ আৰু বাটলাৰে ৮ ৰান কৰে। চলিত আইপিএলত তৃতীয়টো অৰ্ধশতক অৰ্জন কৰা ৰিয়ানে ৭৬ ৰানৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ৰিয়ানৰ ৪৮ টা বলৰ ইনিংছটোত আছিল তিনিটা চাৰি আৰু পাঁচটা ছয়। ইফালে অধিনায়ক সঞ্জুৱে ৩৮ টা বলত ৭ টা চাৰি আৰু দুটা ছয়েৰে ৬৮ ৰান কৰি অপৰাজিত হৈ থাকে। ৰিয়ান আৰু সঞ্জুৱে তৃতীয় উইকেটত ১৩২ ৰান সংগ্ৰহ কৰে।

# ধীৰ গতিৰ বলিঙৰ বাবে জৰিমনাৰ সন্মুখীন সঞ্জু

ৰঙিলী বাৰ্ত্তাসেৱা- গুজৰাটৰ হাতত পৰাস্ত হোৱাৰ পিছত ধীৰ গতিৰ বলিঙৰ বাবে ১২ লাখ টকা জৰিমনাৰ সন্মুখীন হ'ল ৰাজস্থান ৰয়েলছৰ অধিনায়ক সঞ্জু ছেমছন। ইয়াৰ লগে লগে একেৰাহে চাৰিখন মেচত অপৰাজিত থকাৰ অভিলেখো ভংগ হৈছে ৰাজস্থানৰ। বৰষুণৰ বাবে পলমকৈ টছ হোৱা মেচখনত মন্থৰ অভাৰ বলিঙৰ বাবে খেল শেষ হওঁতে প্ৰায় মাজনিশা হয়। আইপিএলৰ তৰফৰ পৰা জনোৱা হৈছে যে যিহেতু এয়া সঞ্জুৰ প্ৰথম অপৰাধ, সেইবাবে সৰ্বনিম্ন জৰিমনা বিহা হৈছে। অৱশ্যে মেচখনত সঞ্জুৱে ৩৮ টা বলত ৬৮ ৰান সংগ্ৰহ কৰে। সঞ্জু আৰু ৰিয়ান পৰাগৰ দৰ্শনীয় বেটিঙৰ বাবে দলটোৱে সংগ্ৰহ কৰে ১৯৬ ৰান। কিন্তু শুভমন গিলৰ বেটিং আৰু শেষৰফালে ৰছিদ খানৰ ইনিংছৰ সহায়ত গুজৰাটে মেচখনত জয়লাভ কৰে। মেচৰ অন্তত সঞ্জুৱে কয় যে অন্তিম বলত মেচখনত দলটো পৰাজিত হ'বলগা হ'ল। এই ফলাফলে তেওঁলোকক নতুন শিক্ষা দিব বুলিও আশা কৰিছে সঞ্জুৱে।

# জন্মদিনৰ শুভেচ্ছা



**ডাঃ বীৰেন্দ্ৰ দত্ত লহকৰ**

দেউতা মানে এডাল ডাঙৰ গছৰ ছাঁ। আমাৰ সুখৰ বাবে সকলো কৰিব পৰা জনেই আছিল দেউতা। দেউতাৰ ছাঁ হেৰাই যোৱাৰ পৰা জীৱনৰ দায়িত্ব পালন কৰা কিমান কষ্টকৰ বুজি পোৱা গৈছে। আজি পহিলা বহাগ। আপোনাৰ জন্মদিন। কিন্তু শুভেচ্ছা জনাবলৈ আপুনি আমাৰ মাজত নাই। ২০১৮ চনত বিয়া হৈ আপোনাৰ ঘৰৰ একমাত্ৰ বোৱাৰী হোৱাৰ সুভাগ্য হৈছিল। বোৱাৰী বুলি গণ্য নকৰি মোক জীয়ৰীৰ স্থান দিছিল। দেউতা বুলি মাতিলে "কি মা" বুলি মাতিছিল। এতিয়া সেই মাতষাৰ বৰকৈ মনত পৰে। শহুৰ নহয় মোৰ লগত বন্ধুৰ দৰে সকলো দুখ,সুখ, হাঁহি ধেমালিৰ কথা কৈছিল। এতিয়া সেই হাঁহিবোৰ বৰকৈ মনত কৰোঁ। আমি দুয়ো লগ হৈ শাহু মাক জোকোৱা ধেমালিবোৰ এতিয়া সকলো নাইকিয়া হৈ গ'ল। পৃথিৱীৰ সকলো ছোৱালীয়ে আপোনাৰ নিচিনা মৰমিয়াল শহুৰ দেউতা পোৱা উচিত। মই সঁচাই নিজকে বহুত ভাগ্যৱান বুলি ভাৱো।

আজি আপোনাৰ জন্ম দিনৰ দিনা আমাৰ সকলোৱে ফালৰ পৰা (পত্নী ডাঃ নিৰু দাস লহকৰ, পুত্ৰ বিক্ৰম দত্ত লহকৰ, জীয়ৰী চুমী সেন ডেকা,জোঁৱাই অপূৰ্ব সেন ডেকা, নাতি/ নাতিনী) শুভেচ্ছা জনালো। নেদেখা জনৰ ওচৰৰ পৰা আমাক আৰ্শীবাদ কৰিব।

**অদিতি দত্ত লহকৰ(বোৱাৰী)**
**ভৰলুমুখ, গুৱাহাটী**

# বিহুৰ দিনাই দেৰগাঁৱত অঘটন

ৰঙিলী বাৰ্ত্তাসেৱা- গৰু বিহুৰ পুৱাই দেৰগাঁৱৰ হাঁহচৰাত গঁড়ৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছিল এজন যুৱক। গঁড়ৰ আক্ৰমণত আহত হৈছিল লাটু দাস নামৰ যুৱকজন। ইয়াৰ পিছতে পুনৰ দেৰগাঁৱৰ কৰৈয়নিত গঁড় খেদিবলৈ যোৱা বন কৰ্মীৰ গুলীত গুৰুতৰভাৱে আহত হ'ল আন এজন যুৱক। গঁড়লৈ নিক্ষেপ কৰা গুলী সোমাল গৈ যুৱকজনৰ দিঙিত। এই ঘটনাই এতিয়া তীব্ৰ চাঞ্চল্য কৰাৰ লগতে স্থানীয় ৰাইজক উত্তেজিত কৰি তুলিছে। গঁড়ৰ আক্ৰমণত অতি গুৰুতৰভাৱে আহত হৈছিল লাটু দাস। ইয়াৰ পিছতে কৰৈয়নিত গঁড়ৰ মুক্ত বিচৰণৰ খবৰ পোৱাত গঁড় খেদিবলৈ গৈছিল বন বিভাগৰ এটা দল। এই দলটোৱে গঁড়লৈ নিক্ষেপ কৰা এটা গুলী সোমাইগৈ নাছিৰুদ্দিন আহমেদ নামৰ যুৱকজনৰ দিঙিত। ইয়াৰ পিছতে তেওঁক ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হৈছে।



# কেবিনেট মন্ত্ৰী বিমল বড়াৰ সমষ্টিত চাহ শ্ৰমিকৰ উত্তাল প্ৰতিবাদঃ বিজেপিক ভোট নিদিয়াৰ সংকল্প গ্ৰহণ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ কেবিনেট মন্ত্ৰী বিমল বড়াৰ সমষ্টি টিংখাঙ ৰাজগড়ত ১২ তাৰিখে চাহ শ্ৰমিকৰ বিক্ষোভত উত্তাল হৈ পৰে। বিগত ১০ বছৰে চাহ শ্ৰমিকক কৰা প্ৰতাৰণাৰ বিৰুদ্ধে চিপিআই(এম এল) ৰ উদ্যোগত টিংখাঙৰ কেবাখনো চাহ বাগিচাৰ পৰা অহা সহস্ৰাধিক চাহ শ্ৰমিকে প্ৰতিবাদ সাব্যস্ত কৰে। ২০১৪ চনত প্ৰধানমন্ত্ৰীয়ে চাহ শ্ৰমিকক কেৰেলা-তামিলনাডুৰ সমপৰ্যায়ৰ মজুৰি প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। বৰ্তমান কেৰেলা-তামিলনাডুৰ চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৪৫০ টকা। কিন্তু অসম চৰকাৰৰ মজুৰি উপদেষ্টা বৰ্ডে ২০১৮ চনতে নিৰ্ধাৰণ কৰা ৩৫১ টকা দৈনিক মজুৰি আজিলৈকে কাৰ্যকৰী নকৰিলে। চাহ শ্ৰমিকক উন্নত স্বাস্থ্য সেৱাৰ প্ৰতিশ্ৰুতি দি গ্ৰুপ চিকিৎসালয় সমূহ বন্ধ কৰি দিয়া হল । জনজাতিকৰণ আৰু কোৰাটাৰৰ লগতে দখলত থকা মাটিৰ পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়ে থাকিল। আনহাতে উদ্যোগ মন্ত্ৰী বিমল বড়াৰ সমষ্টিৰ অন্তৰ্গত এনড্ৰিউ ইউলিৰ বাগিচা সমূহত ৬ মাহ ধৰি সময়মতে দৰ্মহা আদায় দিয়া নাই। এই বিষয়ত স্থানীয় মন্ত্ৰী বিমল বড়া নিৰৱ দৰ্শক হৈ আছে বুলি অভিযোগ উত্থাপন কৰে। এই প্ৰতাৰণাৰ বিৰুদ্ধে চিপিআই (এম এল) ৰ উদ্যোগত সহস্ৰাধিক চাহ শ্ৰমিকে ৰাজগড়স্থিত যুৰীয়া আইথানৰ পৰা এক বিশাল বিক্ষোভ সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। বিক্ষোভকাৰী সকলে বিজেপিক এটাও ভোট দিয়া নহ'ব, ৩৫১ টকা মজুৰি নিদিয়া বিজেপিক ভোট দিয়া নহব, গ্ৰুপ চিকিৎসালয় বন্ধ কৰা বিজেপিক ভোট দিয়া নহব, জনজাতিকৰণ আৰু মাটিৰ পট্টা প্ৰদান নকৰা বিজেপিক ভোট দিয়া নহব, নিজ সমষ্টিৰ চাহ শ্ৰমিকক সময় মতে দৰ্মহা প্ৰদান কৰিব নোৱাৰা বিমল বড়া মুৰ্দাবাদ, বিজেপি গ' বেক আদি শ্লোগানেৰে ৰাজগড়ৰ ৰাজপথ উত্তাল কৰি তোলে। বিক্ষোভ সমদলৰ অন্তত স্থানীয় যুৰীয়া আইথানত মীৰা তাঁতী আৰু ৰমেন মুড়াৰ সভাপতিত্বত এখনি প্ৰতিবাদী সভা অনুষ্ঠিত হয়। চিপিআই (এমএল) ৰ ডিব্ৰুগড় জিলা সমিতিৰ সদস্য কুন্তী তাঁতীয়ে উদ্দেশ্য ৰাখ্যা কৰা সভাত পাৰ্টিৰ কেন্দ্ৰীয় সমিতিৰ সদস্য বলিন্দ্ৰ শইকীয়া, অসম জাতীয় পৰিষদৰ সম্পাদক তথা মুখপাত্ৰ জীয়াউৰ ৰহমান, চিপিআই (এমএল) ৰ ডিব্ৰুগড় জিলা সমিতিৰ সদস্য শশী মুড়া, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ টিংখাং চাৰ্কোল সমিতিৰ সম্পাদক বিনোদ মুড়া, প্ৰগতিশীল নাৰী সন্থাৰ মৈত্ৰেয়ী বাগচী, নিৰ্মাণ শ্ৰমিক সন্থাৰ দীনেশ গড়াইত উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। এই সভাই, ২০১৪ চনত চাহ শ্ৰমিকৰ মজুৰি কেৰেলা-তামিলনাডুৰ সমপৰ্যায়ৰ কৰিম বুলি নৰেন্দ্ৰ মোদীয়ে দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে আৰু বিজেপি দলক চাহ শ্ৰমিকৰ ফালৰ পৰা ভোট প্ৰদান নকৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই চাহ শ্ৰমিকক উন্নত স্বাস্থ্য সেৱাৰ প্ৰতিশ্ৰুতি দি গ্ৰুপ চিকিৎসালয় বন্ধ কৰা বিজেপি চৰকাৰৰ বিৰুদ্ধে লাইনে লাইনে চাহ শ্ৰমিকক সজাগ কৰি বিজেপিৰ বিৰুদ্ধে 'ইণ্ডিয়া' মৰ্চাৰ প্ৰাৰ্থীক ভোট দিবলৈ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিত লুৰিণ জ্যোতি গগৈক বিপুল ভোটত জয়ী কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাই চাহ শ্ৰমিকৰ ভি ডিএ সহ মজুৰি, কোৱাৰ্টাৰ আৰু দখলত থকা মাটিৰ পট্টা আৰু জনজাতিৰ স্বীকৃতি নিদিয়ালৈকে সংগ্ৰাম চলাই নিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে সভাই চাহ শ্ৰমিকৰ জনপ্ৰিয় নেতা গংগাৰাম কলক দুলিয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালাই অপমানিত কৰা কাৰ্যক তীব্ৰ ভাষাত গৰিহণা দিয়ে আৰু তেওঁক ক্ষমা বিচৰাৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে বুলি চিপিআই (এম এল)ৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক বিতোপন বকলীয়ালে সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

R&B COACHING CENTRE
BHARALUMUKH
&
MALIGAON BRANCH
CLASS : 5-10
SEBA/CBSE
ALL SUBJECT
CLASS : 11-12
(SCIENCE, ARTS & COMMERCE)
B.COM/B.A
SSC/ADRE/
BANK PO/
GOVT. JOBS
CONTACT US:- 9954121231

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286